# পদাতিক

প্ৰথম বছৰ : পঞ্চম সংখ্যা : জানুৱাৰী, ১৯৯৯



পদাতিকৰ পদূলীত

সম্পাদকীয়

## প্ৰয়োজন আজি সন্মিলিত গণসংগ্ৰামৰ

স্বাধীনতাৰ পাছৰে পৰা ভাৰতবৰ্ষই অৰ্ধ সামন্তীয় আৰু অৰ্ধ পুঁজিবাদী আৰু অৰ্ধ উপনিবেশিক পদ্ধতিৰে অসমৰ জাতীয় সম্পদ সমূহৰ ওপৰত শোষণ লুণ্ঠন অব্যাহত ৰাখিছে। এই শোষণ, লুণ্ঠনৰ জৰিয়তে অসম ভূখণ্ডৰ খিলঞ্জীয়া জাতি জনগোষ্ঠীসমূহক সৰ্বহাৰাত পৰিণত কৰিলে। স্বাধীনতাৰ পাছৰে পৰা ভাৰতবৰ্ষৰ এই চৰিত্ৰৰ বিৰুদ্ধে অসমৰ জনগণে প্ৰতি মুহুৰ্ত্ততে প্ৰতিবাদ সাব্যস্ত কৰি আহিছে। আজি অসমৰ জাতীয় সমস্যাবোৰ অধিক তীব্ৰতৰ হ'ব ধৰিছে। বিভিন্ন জনগোষ্ঠীসমূহৰ মাজত বিভিন্ন ধৰণে গোষ্ঠীসংঘাত বোৰে গা কৰি উঠিছে। নিবনুৱা সমস্যা বানপানীৰ তাণ্ডব সহস্ৰ বিপ্লৱীসকলে সৃষ্টি কৰা কিছু সমস্যা সহস্ৰ প্ৰতিবাদক দমন কৰিবলৈ গৈ চৰকাৰে লোৱা স্থিতি আদিয়ে অসমৰ পৰিস্থিতি অতি ভয়াবহ কৰি তুলিছে।

লগতে বৰ্তমানৰ সংগ্ৰামী ধাৰাটোৱেও বিভিন্ন ধৰণে সংগ্ৰাম অব্যাহত ৰাখিছে। এই সংগ্ৰামৰ ধাৰাটোৰ ক্ষেত্ৰতো দুটা ভাগ স্পষ্ট হয় - এটা সংসদ দখলৰ হাবিয়াসত কৰা বিভিন্ন সংগ্ৰামী কাৰ্যসূচী আৰু আনটো হ'ল সংসদীয় ব্যৱস্থাৰ বিৰুদ্ধত সংসদ বৰ্হিভূত জাতীয় সংগ্ৰাম। বৰ্তমান সময়ৰ দাবীত আমি দ্বিতীয়টো ধাৰাৰ পক্ষত। কিন্তু এই ধাৰাৰ সংগঠন সমূহ আজি বহুধা বিভক্ত হৈ আছে। আজিৰ পৰিৱেশত কিন্তু এনেদৰে হোৱা বিভাজনে সংগ্ৰামী ধাৰাটোক অতি দুখজনক অৱস্থাত থিয় কৰাইছে।

আজি সময়ৰ দাবী হ'ল এখন সন্মিলিত গণ সংগ্ৰামৰ। আজি অসমৰ বিভিন্ন জনগোষ্ঠী গণসংগঠন আদি এক লগ হৈ উমৈহতীয়া শত্ৰুৰ বিৰুদ্ধে সংগ্ৰাম নকৰিলে গত্যান্তৰ নাই। এই বিষয়ে সকলোৱে উপলব্ধি কৰা প্ৰয়োজন, কিন্তু অসমত এখন সন্মিলিত গণসংগ্ৰাম বিকাশ হোৱাত কিছু সীমাবদ্ধতা দেখা দিছে। যেনে -

১। অসমৰ কিমান সংগঠনে আজি গণসংগঠনৰ ৰূপ লব পাৰিছে?

২। কোনে কেনেদৰে মূলশত্ৰু চিনাক্ত কৰিব পাৰিছে?

৩। অসমৰ জাতীয় প্ৰশ্নটোক কোনে কেনেদৰে গ্ৰহণ কৰিছে?

৪। জাতীয়তাবাদৰ দৃষ্টিভংগী কি হ'ব?

৫। কি হ'ব বিকল্প ৰাজনীতি?

৬। অসমত চলি থকা সশস্ত্ৰ বিপ্লৱী ধাৰাটোক কোনে কিদৰে গ্ৰহণ কৰিছে?

৭। অসমৰ গুৰুত্ব পুৰ্ণ সমস্যা সমূহৰ সমাধানৰ ক্ষেত্ৰত কোনে কিদৰে ৰাজনৈতিক দৃষ্টি ভংগী গ্ৰহণ কৰিছে।

এনে বিভিন্ন বিষয়ৰ মতভেদ সমুহে আমাৰ আজি সন্মিলিত গণসংগ্ৰাম খনৰ গতি দিয়াত বাধাৰ সৃষ্টি কৰিছে। কিন্তু আমাৰ যি সমস্যা সেইটো অসমৰ সকলো জনগোষ্ঠীৰেই সমস্যা গতিকে ঐক্যবদ্ধ এখন সংগ্ৰামৰ প্ৰয়োজনীতা কোনেওঁ অস্বীকাৰ কৰিব নোৱাৰে।



বিশেষ নিবন্ধ

# অসমৰ ৰাজনীতিত ছাত্ৰৰ ভূমিকা

❑ নিবাৰন বৰা

অসমত ছাত্ৰ সংগঠনৰ গঠন হয় ১৯১৫ চনত। তেতিয়া ছাত্ৰৰ-সংখ্যা আছিল নিচেই তাকৰ। ইংৰাজ সকলে নিচেই তাকৰ সংখ্যাক স্কুলহে স্থাপন কৰিছিল। মোৰ ধাৰণা ইংৰাজ সকলে সমস্ত উত্তৰ পূব অধিকাৰ কৰাৰ পিছৰ পৰাহে শিক্ষিত অসমীয়া যুৱকক চাকৰীত মকৰল কৰিছিল অৰ্থাৎ ১৯১১ চনৰ পিছৰ পৰাহে। চাকৰিত মকৰল কৰাৰো কোনো নীতি নিয়ম নাছিল। ১৯১১ চনলৈকে পূৱ বংগদেশৰ লগত সাঙ্গোৰ খাই আছো ১৯০৫ চনত বংগ ভংগ হোৱাৰ পিছত আকৌ মিলিত হ'ল দুয়োখন বিভাজিত বংগ। সমস্ত উত্তৰ পূৱ ভাৰত ইংৰাজে জয় কৰিলে ১৯১১ চনত আৰু অসম ৰাজ্যক গঢ় দিলে দাতি কাষৰীয়া সমস্ত পাহাৰ তথা ভুটানৰ অংশ আজি বড়োলেণ্ড দাবী কৰা অংশটো।

১৯১২ চনত অসম ৰাজ্যক এখন চিফ্ কমিচনাৰ শাসিত ৰাজ্যত পৰিণত কৰা হ'ল। ১৯২৩ চনত এখন পূৰ্ণাঙ্গ ৰাজ্য ৰূপে আকৌ পুনৰ গঠন হ'ল। ১৯৬২ চনত নাগালেণ্ড পৃথক হৈ গল, পৃথক হৈ গ'ল মিজোৰাম, মেঘালয়। নেফা নামেৰে পৰিচিত এলেকাটো অসমৰ অংশ নাছিল, হোৱাৰ সম্ভৱনা আছিল, এখন সুকীয়া ৰাজ্যত পৰিণত হল।

১৮২৬ চনৰ পৰা ১৯০৩ চনলৈকে গঠন হ'ল আহোম এছচিয়েচন পৰিবৰ্ত্তিত হল অসম এছচিয়েচনলৈ। ১৮২৬ চনৰ পৰা ১৯০৩ চনলৈকে ১২০ বছৰ ৰাজত্ব কৰা ইংৰাজ শাসনৰ ৭৭ বছৰ অতিক্ৰম কৰাৰ পিছত ৰন যুজা নহয় আজি পেশ কৰা এটা অসমীয়া অনুষ্ঠানৰ জন্ম হল ১৯১৫ চনত, জন্ম হল ছাত্ৰ সন্মিলনী আৰু অসম সাহিত্য সভা। অসমলৈ ভাৰতীয় জাতীয়তাবাদ আগবাঢ়ি নাহিল। ১৯০৮ চনত গান্ধিজীয়ে তেখেতৰ সপোনৰ ভাৰতবৰ্ষ আৰু ভাৰতীয় জাতিৰ সম্বন্ধে এখন পুস্তক লিখিছিল তাত অসমীয়া সকলক ঠগ পিন্দাৰি সদৃশ জাতি বুলি উল্লেখ কৰিছিল সেই কথাৰ প্ৰতিবাদ কৰিছিল "গুনাভিৰাম বৰুৱাৰ সুযোগ্য পুত্ৰ অসম মস্তান" জ্ঞানাধিৰাম বৰুৱা বাৰ এট্ ল্ ডাঙৰীয়াই, গান্ধীজিয়ে উত্তৰ দিছিল এখন পোষ্ট কাৰ্ড য়োগে কৈছিল যে ভূলটো সংশোধন কৰা হব। দ্বীতিয় সংস্কৰনত কিতাপ খনৰ দ্বীতিয় সংস্কৰণ ওলোৱা নাছিল। আমি তাৰ বিপৰীতে কংগ্ৰেছত যোগ দিলো। গান্ধিজীক আমন্ত্ৰণ কৰি আনিলেগৈ আমাৰ চাৰিজন সুযোগ্য সন্তানে স্বৰ্গীয় সকল তৰুণৰাম ফুকন, নবিনচন্দ্ৰ বৰদলৈ, চন্দ্ৰনাথ শৰ্মা আৰু ফেজুনৰ আলি সকলে। গান্ধীজী অসমলৈ আহিল ১৯২০ চনত আমি জাতীয়তাবাদী ভাৰতত যোগ দিলো। ১৯১৯ চনলৈকে আমি ইংৰাজৰ শাসন ব্যৱস্থাহে অন্তৰ্ভুক্ত হোৱা আছিলো, ভাৰতোৰো অংগ নাছিলো, ভাৰতীয় জাতীয়তাবাদৰ অন্তৰ্ভূক্ত নাছিলো আজিও কোনো ভাৰতীয় ইতিহাসৰ পুথিত পুজিবাদী দৃষ্টিভংগীয়েই হওঁক বা বস্তুবাদী মাৰ্স্কিয় দৃষ্টিভংগীৰে লিখাই হওঁক অসম আৰু কোনো উল্লেখ নাই। আছে আৰু আছিল শব্দবোৰত আৰু জ্ঞানৰ ভাণ্ডাৰত (Book of knowledge আৰু Encyclopaedia ত)।

ভৌগলিক ভাৱে ভাৰতবৰ্ষ নামৰ দেশখনৰ ভূমিভাগৰ আমি সংলগ্ন আছিলো কিন্তু ঐতিহাসিক ভাৱে আমি বিচ্ছিন্ন আছিলো। ১৯২০ চনৰ পৰা এই তাকৰীয়া সময়খিনিৰ বাবে আমাৰ ভাৰতীয়



OKDISCD

জাতীয়তাবাদৰ লগত Courtship অভিজ্ঞতা আমাৰ মধুৰ নহয় বৰ অসহ্যৰ আমনি লগাবৰ মাথো তিঁতা কেঁহা অভিজ্ঞতাৰে পৰিপূৰ্ণ।

ভাৰতীয় স্বাধীনতাৰ নতিদীৰ্ঘ সংগ্ৰামত আমাৰ দান বৰঙণি নিচেই তাকৰ নহয়। কিন্তু জাতীয় স্তৰত আমি স্বীকৃত নহলো আজিও নহয়।

তাহানি পণ্ডিত জৱাহাৰ লাল নেহেৰুৱে বাস কৰা তিনি মহলীয়া বিশাল ঘৰটো আজি জাতিয় মিউজীয়াম। তাত এতিয়া বেৰত লিখা আছে জাতিয় সংগ্ৰামৰ ইতিহাস আঁৰা আছে নেতাৰ ছবি, শ্বহিদ সকলৰ ছবি। অসম আন্দোলনৰ সময়ত নতুন দিল্লীলৈ যোৱাৰ সময়ত চাবলৈ গৈছিলো সেই মিউজীয়ামটো তাত জাতীয় সংগ্ৰামৰ ইতিহাসত অসমৰ নাম নাই, অসমৰ জিসকল নেতা কংগ্ৰেচবাদী কমিটিৰ সদস্য আছিল-তৰুনৰাম ফুকন, নবীন চন্দ্ৰ বৰদলৈ অথবা গোপীনাথ ৰবদলৈৰ ছবি নাই, নামৰ উল্লেখ নাই বিপৰীতে। সেয়া ১৯৮১ চনৰ কথা। ৰাজধানী চহৰৰ আলিবাট সমূহৰ নামকৰণ কৰা হৈছে দেশীয় নেতা সকলৰ নামৰ উপৰিও বিদেশী লোকৰ নামটো। কিন্তু অসমৰ কোনো এজন নেতাৰ নামত নাই আলোচনাৰ উত্তেজিত মুহূৰ্ত্তত মই উল্লেখ কৰিছিলো। আমিটো ভাৰতবৰ্ষৰ পৰা ওলাই যাম বুলি কোৱা নাই তোমালোকে আমাক ভাৰতীয় ইতিহাসত স্থান দি ৰখা নাই। সন্ধিয়া আসাম হাউছলৈ উভতি গৈ দেখা বাটটোৰ নাম চানক্য লেনৰ সলনি গোপিনাথ বৰদলৈ মৰ্গ বুলি লিখা আছে। আছে আজিও তেনেকৈয়ে। নতুন দিল্লীত ভাৰতৰ ৰাজধানী চহৰত অসমৰ পৰিচয়।

আমি অসমীয়াই ১৯২০ চনত জাতীয়তাবাদী ভাৰতবৰ্ষত যোগ দিয়াৰ পূৰ্বে অসমত ছাত্ৰ সন্মিলনীৰ জন্ম লগ্নতে অসম সাহিত্য সভা। অসম এছচিয়েচনৰ পিছতে দ্বিতীয়টো অনুষ্ঠান পিছৰ দিনা সাহিত্য। অসমৰ ছাত্ৰ জাগৰণ সাহিত্যপ্ৰেমী সকলত কৈ এদিন এনিসাৰ অগ্ৰজ।

অসমত ইংৰাজে পতা স্কুলৰ সংখ্যা শেষলৈকে মুঠ ২৮ খন। ৰাইজে স্কুল পাতিবলৈ লয় গান্ধীজি পাচটকীয়া ৰচনাত্মক কাৰ্যসূচী অনুসাৰে ১৯৩২ চনৰ পিছৰ পৰা। ১৯৪৭ চনৰ হস্তান্তৰকাৰী দিনটোত ৰাইজে পতা স্কুলৰ সংখ্যা ২২০ খন। ১৮৫৩ চনত ৰাইজে পাতিলে স্ত্ৰী শিক্ষাৰ প্ৰথম অনুষ্ঠান "পানবজাৰ ছোৱালী হাইস্কুল"। স্ত্ৰী শিক্ষাৰ ক্ষেত্ৰত অসম ভাৰতে আগৰনুৱা ১৯৫৩ চনৰ পিছতহে চৰকাৰে পাতিলে ডিব্ৰুগড় ছোৱালী হাইস্কুল য'ত শিক্ষা লাভ কৰিছিল ৰাজবালা দাসে, কমলকুমাৰী বৰুৱাই।

১৯১৫ চনত কিমানখন হাইস্কুল আছিল মোৰ জনা নাই কিন্তু ২৮ খন চৰকাৰী হাইস্কুল তাৰ আগতেই স্থাপন কৰা আৰু স্ত্ৰী শিক্ষাৰ বাবে অনুষ্ঠানত পানবজাৰ ছোৱালী হাইস্কুল।

অসম ছাত্ৰ সন্মিলনী গঢ়ি উঠিছিল একেই সাঁচতে যেনেকৈ গঢ়ি উঠিছিল ১৯০৩ চনত অসম এছচিয়েছন অসম ভিত্তিক অনুষ্ঠান। অসম ছাত্ৰ আন্দোলনৰ সম্বন্ধে ডক্তৰেট পাবৰ বাবে বহু কেইগৰাকীয়ে কিতাপ লিখিছে Doctorat Thesis । পুলিচৰ গোপনীয় কাকত মোৰ নামৰ উল্লেখ্য থকাৰ হেতুকে মোৰ ওচৰলৈও আহিছে। সহায় কৰি দিছো মোৰ মাধ্য অনুসাৰে। কিতাপবোৰ বা Doctorat Thesis বোৰহে পঢ়ি পোৱা নাই।

অসমৰ ছাত্ৰ আন্দোলনৰ পথ খলা বমা। তাৰ কাৰণ পৌৰনিক নীতি বাক্য 'ছাত্ৰানাং অধ্যায়নংতপঃ ছাত্ৰই ৰাজনীতিত প্ৰবেশ কৰিব নেলাগে। স্বাধীনতা লাভৰ পূৰ্বে ১৯৪৫-৪৬ চনত সৰ্বভাৰতীয় ছাত্ৰ কংগ্ৰেছলৈ অসম ছাত্ৰ কংগ্ৰেছে মোক মনোনীতি কৰিছিল। অখিল ভাৰতীয় ছাত্ৰ কংগ্ৰেছৰ বহু কেইখন কাৰ্যকাৰিনী সভাত ময়ো ভাগ লব লগা হৈছিল। এলাহবাদত বহা এখন সভাৰ অন্তত আমি দেখা কৰিবলৈ গৈছিলো আচাৰ্য্য জে, বি, কৃপালনীক - কংগ্ৰেছৰ বহু বছৰৰ সাধাৰণ সম্পাদক। আমি তেখেতৰ ওচৰলৈ এটা প্ৰস্তাৱ ডাঙি ধৰি দাবী কৰিছিলো যে পুৰ্ণ স্বাধীনতা অবিহনে অন্য কোনো



প্ৰস্তাৱ কংগ্ৰেছ দলে গ্ৰহণ নকৰিব। আচাৰ্য্য জন আছিল সেই সময়ৰ ভাৰতৰ এজন বিচক্ষণ ব্যাক্তি তেখেতৰ লগত এক বিবাদ কৰিবলৈ আমি যোৱা নাছিলো কংগ্ৰেছে সেই ভিন্ন-কিবা চিন্তা কৰিছে সেই সম্বন্ধেও আমি সন্দেহ কৰা নাছিলোঁয, মাত্ৰ আমাৰ দৃষ্টি ভংগী আৰু সিদ্ধান্ত অৱগত কৰিবৰ বাবে গৈছিলো। With the list of appreheusim আচাৰ্য্যজন আমাৰ ওপৰত সম্পূৰ্ণ বিতুস্ত্ৰ হৈ উঠিলো আমাক কলে শুনা "দুনো দুকানে নেহি চল সকতি হ্যায়। তুম তুমহাৰা দোকান বন্ধ কৰো, য়্যা, বোলো তো হাম হামাৰা দুকান বন্ধ কৰে। বৰ স্পষ্ট নিৰ্দেশ্ যে ছাত্ৰই ৰাজনীতিত ভাগ লব নোৱাৰে।

ছাত্ৰই ৰাজনীতিত যোগ দিব লাগেনে নালাগে এই বিতৰ্কও জাৰী আছিল এটা যুগৰো অধিক কাল-সাধাৰণ মতো আছিল নেলাগে। সংসাৰৰ আওঁ ভাওঁ নোপোৱা, পিতৃ-মাতৃ পৰিয়ালৰ ওপৰত নিৰ্ভৰশীল ছাত্ৰই আকৌ কিহৰ ৰাজনীতি কৰিব। সমাজৰ সক্ষম গোষ্ঠীৰ সিদ্ধান্ত নহল শিক্ষাবিদ, জননেতা, বুদ্ধিজীৱী, কোনোও সমস্যাৰ সমাধান কৰিব নোৱাৰিলে। কৰিলে ইতিহাসে-ৰাজনীতিয়ে, সংগ্ৰামী ৰাজনীতিয়ে সাঙুৰি ললে ছাত্ৰ সমাজাক।

২০ আগষ্ট ১৯৩৮ তাৰিখে শ্বিলং শিখৰত সংযুক্ত কংগ্ৰেছ মন্ত্ৰী সভা গঠন কৰি ৰাষ্ট্ৰপতি সুভাষ বোস অসম ছাত্ৰ সমাজৰ আগ্ৰহৰ বাবে আহিছে কটন কলেজলৈ ছাত্ৰ সকলক সম্বোধন কৰিবলৈ। তাৰো পূৰ্বে স্বৰ্গীয় হুমায়ু কবীৰ আৰু স্বৰ্গীয় পণ্ডিত নেহৰুৱে দুবছৰ পূৰ্বে কটনীয়ান সকলক পৰামৰ্শ দি গৈছে। আহিল ৰাষ্ট্ৰপতি। গাৰ গঢ়ন, ব্যক্তিত্ব পুৰুষ কণ্ঠস্বৰ সকলোতে পুৰুষ। আমাৰ বাবে এক সফল মুহূৰ্ত্ত। তেখেতৰ হাতত সময় নাই। পূৰ্বতে আৰম্ভ কৰিছিল "I am temperamentaly an incorigible opttimist. Ihave no time at any disposal yet when your secreatry wanted I agred. Do you know why I have come, I want to share your youthfulness. I am fighting the British lion. I get tred. I want your youthfulness, give me your youthfulnes.................................."

এইজন নেতাই কৈছিল Give me your word, I give your Independence. এইজন মানুহেই বিদেশত গঠন কৰিছিল. ভাৰতীয় জাতি ফৌজ ভাৰতৰ স্বাধীনতাৰ বাবে। এইজন মানুহে ১৯৩৮ চনত কংগ্ৰেছ মন্ত্ৰীসভা গঠন কৰি থৈ গ'ল নহলে তাৰ দহ বছৰো তাকৰ কালতে আমি পৰিলো হেতেন পাকিস্থানৰ গৰাহত। পিছৰ বছৰত ত্ৰিপুৰীত কংগ্ৰেছৰ বাৰ্ষিক অধিবেশনত ৰাষ্ট্ৰপতিৰ পদ (কংগ্ৰেছৰ সদৰ) ৰ বাবে প্ৰস্তাৱিত হৈছে দুনাইবাৰ সুভাষ চন্দ্ৰ বোসৰ নাম প্ৰতিদন্দী চিতাৰামায়া গান্ধীজীৰ সমৰ্থনত প্ৰতিদন্দিতা কৰিছে গান্ধীজিয়ে কৈছিল চিতাৰামৰ পৰাজয় মই মোৰ পৰাজয় বুলি স্বীকাৰ কৰিম। অসমৰ নেতা গোপীনাথ বৰদলৈয়ে গান্ধীজিক জনালে যে অসম কংগ্ৰেছৰ ৬২ জনে সুভাষ বোসক ভোট দিব, অকৃতজ্ঞ হ'ব নোৱাৰে অসমবাসী। বৰদলৈয়ে গান্ধীজিক আপত্তি কৰিছিল যে সুভাষ বোসৰ বিৰুদ্ধে কেম্পবোৰত অপ প্ৰছাৰ কৰা হৈছে কিয়?

অসমৰ ৰজনীতিত, অসমৰ ছাত্ৰ ৰাজনিতীত সুভাষ বোসৰ ১৯৩৮ চনৰ অসম ভ্ৰমন এটা মাইলৰ খুটি, এটা নতুন শিহৰণ বোধ- এটা নতুন দিগ দৰ্শণ □

(অহা সংখ্যাত)

# জাতি, জাতিসমস্যা, জাতীয়তাবাদ

❑ সমীৰণ বৰুৱা

*এই শিতানত ৰাজনীতি বিজ্ঞানৰ বিভিন্ন বিষয়ৰ সংজ্ঞা সমূহৰ লগত নতুন পাঠক সকলক চিনাকি কৰাই দিয়াৰ চেষ্টা চলোৱা হৈছে। বৰ্ত্তমানে কিছু সংখ্যক চিঠিপত্ৰ আমাৰ হাতত পৰিছেহি। ন- পাঠক সকলে চিঠিৰ জৰিয়তে এই আলোচনাত অংশ গ্ৰহণ কৰিব বুলি আমি আশা কৰিলো।*

সম্পাদক, পদাতিক।

এটা জাতি গঠন হোৱাৰ পথত অৰ্থাৎ জাতি হিচাবে এটা জনসমষ্টিয়ে স্বীকৃতি পোৱাৰ আগতে বহুবোৰ ঐতিহাসিক স্তৰ অতিক্ৰম কৰি আহিব লগীয়া হয়। সেইবোৰৰ এক সংক্ষিপ্ত বিবৰণ দাঙি ধৰাৰ প্ৰয়াস কৰা হৈছে।

**(১) নৃগোষ্ঠী** ঃ আভিধানীক অৰ্থ অনুসৰি "নৃ" মানে নৰ, অৰ্থাৎ মানুহ। তেনে দিশৰ পৰা মানুহৰ যি গোষ্ঠী সেয়ে নৃগোষ্ঠী। গোষ্ঠী বুলি কওতেও আন কেতবোৰ সমাজ বিকাশৰ ধাৰণা (Discourse) আহি পৰে সেইবোৰৰ সম্পৰ্কত পিছত বহলাই আলোচনা কৰা হৈছে। মুঠ কথা সামাজিক আৰু প্ৰাকৃতিক গঠন অনুসৰি বাহ্যিক চাৰিত্ৰিক বৈশিষ্টৰ অধিকাৰী এক জনসমষ্টিক নৃগোষ্ঠী বুলি কোৱা হয়।

নৃগোষ্ঠীৰ ইংৰাজী প্ৰতিশব্দ হ'ল Ethenic group আনহাতে Ethenic group ক অসমীয়াত বহুজনে জনগোষ্ঠী বুলিও ব্যৱহাৰ কৰে। কিন্তু জনগোষ্ঠী হ'ল নৃগোষ্ঠীৰ এটা ঠালহে মাথোন। ব্যাপক আৰু সামগ্ৰীক অৰ্থত নৃগোষ্ঠী ধাৰণাটো Discourse ব্যৱহাৰ কৰাৰ বিপৰীতে জনগোষ্ঠী নামৰ ধাৰণাটো সংকীৰ্ণ অৰ্থতেই ব্যৱহাৰ কৰা হয়। জনগোষ্ঠীৰ ধাৰণা ক্ষুদ্ৰ। এই বিষয়ে এই আলোচনাৰ পৰৱৰ্ত্তী অংশবোৰত বিশ্লেষণ কৰাৰ চেষ্টা কৰা হৈছে। কিন্তু নৃগোষ্ঠী হ'ল মানুহৰ প্ৰাচীনতম বা আদিম সামাজিক ৰূপ। মূলত ঃ নৃগোষ্ঠী বোৰ হ'ল একে প্ৰবংশীয় মানুহৰ সমষ্টি। ইয়াক সুত্ৰবদ্ধ ৰূপত এনেদৰে কব পাৰি যে একে প্ৰবংশীয় বা বংশগত পৰম্পৰাৰে সৃষ্টি হোৱা জমসমষ্টিক নৃগোষ্ঠী বোলা হয়। উল্লেখযোগ্য যে এজন মানুহে নিজৰ নৃগোষ্ঠী গত পৰিচয় কেৱল জন্ম সুত্ৰেহে দিব পাৰে। (বান্দৰৰ পৰা মানুহলৈ ক্ৰমবিকাশ হওতে বহুবোৰ প্ৰাকৃতিক ঘটনা তথা কাৰণৰ মুখামুখী মানৰ সমাজ হব লগা হৈছিল যিবোৰ কাৰণতেই সকলোবোৰ বান্দৰ মানুহ নহল - ই এক উল্লেখনীয় বিষয়। এই সম্পৰ্কেও পিছত আলোচনা কৰা হব।)

পৃথিৱীৰ মূল নৃগোষ্ঠীয় জনগাঠনি মূলতঃ ৫ টা। অৰ্থাৎ মূলতঃ পাঁচটা নৃগোষ্ঠীৰ মানুহৰেই প্ৰব্ৰজন আৰু প্ৰসাৰৰ ফলত আজিৰ এই জনবহুল পৃথিৱী গঢ়ি উঠিছে। সেইকেইটা হ'ল - **১। নেগ্ৰিটো ২। দ্ৰাবিড় ৩। অষ্টিক ৪। মঙ্গোলয়ড ৫। এৰিয়ান (আৰ্য্য)** এই পাচটা মূলৰ পৰাই মানুহৰ বিভিন্ন ঠাইলৈ প্ৰব্ৰজন ঘটিছিল। অঞ্চল তথা প্ৰাকৃতিক পৰিবেশৰ বাবে আৰু এই নৃগোষ্ঠী সমূহৰ পূৰ্বপুৰুষ বান্দৰ সকলৰ দেহৰ গঠন তন্ত্ৰ তথা প্ৰাকৃতিক পৰিবেশৰ বাবে সৃষ্টি হোৱা মানসিক গঠন অনুসৰিয়েই এই নৃগোষ্ঠীয় মূলৰ মানুহ সকলক চিনাক্ত কৰা হয়। অসমৰ ক্ষেত্ৰত উদাহৰণ হিচাবে চালে দেখা যায় যে আহোম সকল আছিল মঙ্গোলিয়ড নৃগোষ্ঠীয় ঠালৰ মানুহ। ঠিক সেইদৰে বৰ্ত্তমান চাহ জনগোষ্ঠীয় জনসমষ্টি হিচাবে পৰিচিত চাহ মজদুৰ সকল দ্ৰাবিড় নৃগোষ্ঠীয় আৰু অষ্টিক নৃগোষ্ঠীয় ঠালৰ মানুহ। এইদৰে বড়ো, মিচিং, ৰাভা, ইত্যাদি সকলো মঙ্গোলীয়ড নৃগোষ্ঠীয় ঠালৰ মানুহ।

আনহাতে এই মূল নৃগোষ্ঠীয় মানুহৰ বিভিন্ন কাৰণত হোৱা প্ৰব্ৰজনৰ ফলত লাহে লাহে অন্য নৃগোষ্ঠীয় মানুহৰ লগতো সংশ্ৰব আৰম্ভ হ'ল। এইদৰে বিবাহ জাতীয় অনুষ্ঠানৰ জৰিয়তে পৰস্পৰৰ মাজত বৰ্ণসংকৰ (বিজ্ঞানৰ ভাষাত) মানুহৰো সৃষ্টি হ'ল। এইবোৰেও কালক্ৰমত মূল নৃগোষ্ঠীয় ঠাল বুলি স্বীকৃতি পাবলৈ ধৰিলে। যেনে ঃ- ককেচিয়।

কিন্তু সামগ্ৰীক ভাবে নৃগোষ্ঠীয় মূল প্ৰধানতঃ ওপৰত উল্লেখিত পাচোতাই। আজিৰ বিশ্বৰ প্ৰতিজন মানুহৰেই চাৰিত্ৰিক বৈশিষ্ট (বাহ্যিক) আৰু বংশগত মূল বিশ্লেষণ কৰিলে উল্লেখেতি পাচোতা নৃগোষ্ঠীৰ যিকোনো এটা অৱশ্যে চিনাক্ত হয়।

প্ৰাকৃতিক পৰিবেশ অনুযায়ী কোনোবা নৃগোষ্ঠীয়ে যদি দ্ৰুতভাৱে বিকাশ লাভ কৰাৰ সুযোগ লাভ কৰিছিল তেন্তে আন কোনো নৃগোষ্ঠীয়ে সমানে বিকাশ লাভ কৰিবলৈ সক্ষম হোৱা নাছিল। ফলত কোনো নৃগোষ্ঠীৰ মগজুৰ বিকাশ দ্ৰুত গতিত আগবাঢ়ি গৈছিল। মগজুৰ বিকাশ মানে মানুহ হিচাবে জীয়াই থাকিবলৈ তথা জীৱন সংগ্ৰামৰ বাবে প্ৰকৃতিৰ অপাৰ সম্পদ আৰু সুবিধাবোৰক কেনেদৰে নিজৰ স্বাৰ্থত ব্যৱহাৰ কৰিবলৈ সক্ষম হৈছিল তাক বুজোৱা হৈছে। এই বিষয়েও আলোচনা কৰাৰ চেষ্টা পৰৱৰ্ত্তী সময়ত কৰা হব।

আদিম সমাজ ব্যৱস্থাত যেতিয়া এক নিৰ্দিষ্ট অঞ্চলতহে এনেদৰে মানুহৰ সমষ্টি আছিল, সেইবাবে নৃগোষ্ঠীয় পৰিচয় বিশ্লেষণ কৰাটো অতি সহজ আছিল। কিন্তু পিছলৈ মানুহৰ সংখ্যা বাঢ়ি যোৱাত, অন্যান্য নৃগোষ্ঠীৰ লগত বৈবাহিক সম্বন্ধ স্থাপন হোৱাৰ ফলত জন্ম হোৱা মানৱ সন্তানৰ পৰিচয় দিয়াত কেতবোৰ অসুবিধা আহি পৰিল। ধৰা হ'ল নেগ্ৰিটো পিতৃ আৰু অষ্ট্ৰিক মাতৃৰ জৈবিক সম্পৰ্কৰ ফলত সৃষ্টি হোৱা সন্তানৰ ভ্ৰূণটোৱে কি নৃগোষ্ঠীয় পৰিচয় পাব? তাৰো সমধান সমাজ বিকাশৰ লগে লগে বেলেগ বেলেগ হৈ আহিছে। মাতৃ কেন্দ্ৰীক সমাজ ব্যৱস্থাৰ অধীনত সেই সন্তানটোৱে মাতৃৰ নৃগোষ্ঠীয় পৰিচয় লাভ কৰাৰ উপৰিও পিতৃজনেও নিজা পৰিচয় সালসলনি ঘটাব লগীয়া হৈছিল। কিন্তু পিতৃতান্ত্ৰিক সমাজ ব্যৱস্থাত সমাজলৈ অহাৰ পাচত পিতৃৰ নৃগোষ্ঠীয় পৰিচয় অনুযায়ীই মাতৃ আৰু সন্তানৰ পৰিচয় নিৰূপান হৈ আহিছে।





OKDISCD

আজিও এই প্ৰথাই সৰ্বজনগ্ৰাহ্য হৈ আহিছে। উদাহৰণ স্বৰূপে অসমৰ কাৰ্বি গাভৰু এগৰাকী আৰু বড়ো যুৱক এজনৰ সন্তানটোৱে অৱশ্যেই বড়ো জনগোষ্ঠীয় পৰিচয়হে লাভ কৰি আহিছে। ইয়াৰ লগে লগে বিভিন্ন সামাজিক নীতি নিয়ম ৰীতি-নীতিৰে গাভৰু গৰাকীকো বড়ো জনসমষ্টিৰ সদস্য হিচাবে অন্তৰ্ভুক্ত কৰি লোৱা হয়।

**জনগোষ্ঠী ঃ**- নৃগোষ্ঠীয় ঠালৰ বিভিন্ন ঠাইলৈ প্ৰব্ৰজিত হোৱা মানুহৰ এটা সংক্ষিপ্ত সমষ্টি য'ত মূল নৃগোষ্ঠীয় ঠালৰ এক সংবেদী অনুৰণ থাকি যায় তেনে জনসমষ্টিয়েই জনগোষ্ঠী বুলি ধৰি লব পাৰি। যেনে- মঙ্গোলয়ড নৃগোষ্ঠীয় ঠালৰ পৰা প্ৰব্ৰজিত হৈ অহা বড়ো, কাৰ্বি ইত্যাদি জনগোষ্ঠী। (বড়ো সকল সম্পৰ্কত এই ক্ষেত্ৰত যথেষ্ট বিতৰ্ক আছে যদিও ৰচ্নাখনৰ সামগ্ৰীকতালৈ লক্ষ্য ৰাখি বড়োসকলক জনগোষ্ঠী বুলিয়েই ধৰি লোৱা হৈছে। আলোচনাৰ পৰৱৰ্ত্তী পৰ্য্যায়ত বড়োসকল জনগোষ্ঠী হয় নে নহয় তাক বিশ্লেষণ কৰাৰ চেষ্টা কৰা হ'ব।)

জনগোষ্ঠীয় স্তৰটোৱেই হল জাতি গঠনৰ মূল ভেটি। বিভিন্ন নৃগোষ্ঠীয় ঠালৰ পৰা উদ্ভৱ হোৱা জনগোষ্ঠীয় জনগণৰ ঐতিহাসিক সন্মিলন বা সংমিশ্ৰণৰ ফলত এটা জাতিৰ উদ্ভৱ হব পাৰে। মন কৰিবলগীয়া কথা যে জাতি এটা গঠন হোৱাৰ ক্ষেত্ৰত যিদৰে এক নিৰ্দিষ্ট ভূখণ্ডৰ প্ৰয়োজনীতা আহি পৰে সেইদৰে জনগোষ্ঠী এটাৰ ক্ষেত্ৰত এনে ধাৰণাবোৰৰ প্ৰয়োজনীতা নাথাকে। জনগোষ্ঠী হিচাবে বৰ্ত্তি থাকিবলৈ নিৰ্দিষ্ট ভৌগলিক ক্ষেত্ৰ এখনৰ প্ৰয়োজন নহবও পাৰে।

পঢ়ুৱৈৰ সুবিধাৰ বাবে আমি জনগোষ্ঠী একোটাৰ ক্ষেত্ৰত থাকিব পৰা বৈশিষ্ট সমূহ সংজ্ঞাবদ্ধ আৰু প্ৰণালিবদ্ধ ৰূপত তলত দাঙি ধৰিছো।

(১) আদিম জনজাতীয় সমাজৰ গৰ্ভত সৃষ্টি হোৱা নৃগোষ্ঠী সমূহৰ একোটা প্ৰাকৃতিক আৰু সামাজিক উৎসৰ পৰা সৃষ্টি হোৱা বংশগত জনসমষ্টি হিচাবে জনগোষ্ঠীয়ে পৰিচয় গ্ৰহণ কৰে।

(২) জনগোষ্ঠী সমূহে একে ভাষা, সংস্কৃতি আৰ্থসামাজিক নিয়ম নীতিৰে জীৱন নিৰ্বাহ কৰে।

(৩) নৃগোষ্ঠীয় সদস্য পদ কেৱল জন্মসুত্ৰেৰেহে পাব পৰাৰ দৰে জনগোষ্ঠীয় সদস্য পদো জন্মসুত্ৰেহে লাভ কৰিব পাৰি যদিও জাত্যান্তৰ, ধৰ্মান্তৰ আৰু বৈবাহিক সম্বন্ধ আদিৰ মাজেৰেও জনগোষ্ঠীয় সদস্য পদ গ্ৰহণ কৰিব পাৰি।

(৪) জনগোষ্ঠী সমূহৰ সংমিশ্ৰিত বা সন্মিলিত সমষ্টিয়ে জাতিৰ গঠনত বৰঙণি যোগায়।

(৫) গোষ্ঠীচেতনাৰ সম্ভুত (সংযুক্ত) ধাৰাই জনগোষ্ঠীৰ জন্ম দিয়ে।

উল্লেখিত গোষ্ঠীচেতনানো কি? আৰু এই সম্ভুত (সংযুক্ত) গোষ্ঠীচেতনাৰ ধাৰণাটোনো কেনে ধৰণৰ?

## গোষ্ঠীচেতনা আৰু ইয়াৰ বিকাশ ঃ

ইংৰাজী "Etaenity" শব্দৰ অসমীয়া প্ৰতিশব্দ গোষ্ঠীচেতনা। গোষ্ঠী সম্পৰ্কীয় ধাৰণা যি যি কাৰণত আহে সেয়ে গোষ্ঠীচেতনা। মূলতঃ অৰ্থনৈতিক তথা সামাজিক ৰাজনৈতিক



ধাৰণা, ৰীতি নীতিৰ পৰাই গোষ্ঠীচেতনাৰ জন্ম হয়। কোনো এটা জনগোষ্ঠীৰ মনত সেই জনগোষ্ঠীৰ প্ৰতি যি সহজাত টান আহি পৰে সেয়ে গোষ্ঠী চেতনা। যেনে- ৰাভা জনগোষ্ঠী। ৰাভা সকলৰ নিজা জনগোষ্ঠী সম্পৰ্কত যি টান বা আদৰ মানসিক ভাবে গঢ় লয় সেয়ে ৰাভা গোষ্ঠীচেতনা। সমাজ জীৱনৰ সকলো ক্ষেত্ৰতে নিজা জনগোষ্ঠীৰ প্ৰতি এই টান সহজাত ভাবেই উপলব্ধি হয়। সৰু এটা উদাহৰনেৰে কথাটো বিশ্লেষণ কৰি চোৱা ভাল হব। এখন ঘৰৰ (পৰিয়ালৰ কথা কোৱা হৈছে।) এজন সদস্যৰ নিৰ্দিষ্ট কোনো এজনৰ প্ৰতি এক সুকীয়া টান থাকে। এই টান সহজাত। ব্যক্তিজনে মানসিক ভাবে বিকাশ লাভ কৰোঁতে সেই নিৰ্দিষ্ট জনৰ ভূমিকা অথবা দায়বদ্ধতা থাকে যাৰ ফলত সেই নিৰ্দিষ্টজন আনজনৰ বাবে অতি নিকটজন যেন অনুভৱ হয়। সেইদৰেই একোটা গোষ্ঠীৰ অন্তৰ্ভূক্ত সকলৰ পৰস্পৰৰ প্ৰতি সহজাত টান থাকে। সামগ্ৰীক অৰ্থত ইয়াক গোষ্ঠীচেতনা বুলিব পাৰি।

এই গোষ্ঠীচেতনাক তলত উল্লেখ কৰাৰ ধৰণেৰে প্ৰকাশ কৰিব পাৰি।

(১) জনগোষ্ঠীটোৰ ভাষা, সংস্কৃতি আৰু আৰ্থসামাজিক ব্যৱস্থাৰ স্থিতিৰ পৰা জনগোষ্ঠীৰ সদস্যসকলে পোৱা জ্ঞান আৰু জ্ঞানৰ পৰা অহা বাস্তৱিক চেতনাই গোষ্ঠী চেতনাৰ জন্ম দিয়ে।

(২) আদিম সমাজৰ পৰাই মানুহে নিজৰ পৰিচয় দিয়া বা সমাজত নিজস্ব স্থান নিৰ্ণয় কৰাৰ কাৰ্য্যত গোষ্ঠীচেতনাক ব্যৱহাৰ কৰি আহিছে।

(৩) বিশ্বৰ মানৱ সমাজত মানুহ হিচাবে মানৱীয় প্ৰমূল্যবোধৰ অৱক্ষয় আৰু আৰ্থৰাজনৈতিক ক্ষেত্ৰখনৰ বৈষম্যতাৰ কাৰ্য্যত গোষ্ঠীচেতনাক জীয়াই ৰাখিছে। ইয়াৰ অন্যাথা নিজা সংস্কৃতি তথা আৰ্থৰাজনৈতিক স্থিতি লুপ্ত হোৱাৰ আশংকাই জনগোষ্ঠীবোৰৰ মাজত গোষ্ঠীচেতনাগত উপলব্ধি প্ৰৱল হৈ পৰিছে।

(৪) জাতি ৰাষ্ট্ৰ বিলাকত বৃহৎ জাতি, জনগোষ্ঠী সমূহৰ মাজত থকা প্ৰভুত্ব বাদী চৰিত্ৰই গোষ্ঠী চেতনাক জীয়াই ৰাখিছে। ইয়াৰ লগতে উগ্ৰজাতীয়তাবাদী ধ্যান ধাৰণায়ো গোষ্ঠী চেতনাক প্ৰৱল কৰি ৰাখিছে।

সমাজবাদী সমাজ বা শ্ৰেণীহীন সমাজ এখনত গোষ্ঠীচেতনাগত উপলব্ধি নিজে নিজে নাইকিয়া হব পাৰে বুলি সমাজ বিজ্ঞানে মত প্ৰকাশ কৰে। কাৰণ সামাজিক বৈষম্য নথকা তথা শ্ৰেণীৰ অৱলুপ্তি ঘটা সমাজ এখনত মানুহ আৰু মানুহৰ দ্বন্দ্বখন পৰ্যায় গত ভাবে মানুহ আৰু প্ৰকৃতিৰ মাজৰ দ্বন্দ্বলৈ ৰূপান্তৰ হোৱাৰ সম্ভাবনীয়তাই এই দৃষ্টিভঙ্গীৰ ন্যাৰ্যতা স্বীকাৰ কৰে। এই দৃষ্টিভী কিমান বাস্তৱিক আৰু প্ৰয়োগীক তাকো আলোচনা কৰি চোৱাৰ থল আছে। কাৰণ এই ধাৰণাও বিতৰ্কৰ উৰ্দ্ধত নহয়। সেই বিষয়েও আলোচনা কৰা হওক।

এই বিষয়ে আলোচনা কৰাৰ আগতে উনৱুকীয়াই থোৱা প্ৰয়োজনীয়তা অনুভৱ কৰিছো যে শীতল যুদ্ধৰ সাময়িক অৱসানৰ পাছত এনে ধৰণৰ গোষ্ঠীগত চেতনাবোৰ বিশ্বৰ বিভিন্ন প্ৰান্তত গা কৰি উঠিছে। আজিৰ সমগ্ৰ পৃথিৱীৰ জাতীয় মুক্তি সংগ্ৰাম সমূহৰ বিকাশো এই গোষ্ঠীচেতনাৰ পৰাই উদ্ভৱ হৈছে। এই প্ৰসঙ্গও বৰ্তমান সময়ত অতি প্ৰাসঙ্গিক বিষয়। ❑



OKDISCD

# সমাজ ব্যৱস্থাইহে গঢ় দিয়ে শৈক্ষিক ব্যৱস্থাক

❒ বিজয় ফুকন

## শিক্ষাৰ ঐতিহাসিক পটভূমি ঃ

"সমাজ ব্যৱস্থাইহে গঢ় দিয়ে শৈক্ষিক ব্যৱস্থাটোক-"। প্ৰকৃততে, এই প্ৰসঙ্গটো আলোচনা কৰাৰ পূৰ্বে, মানৱ সমাজত শিক্ষাৰ উৎপত্তি সম্পৰ্কে পৰিস্কাৰ ধাৰণাৰ অবিহণে উক্ত বিষয়ত সঠিক বিশ্লেষণ আগবঢ়াব পৰা নাযাব বুলি বাস্তৱক স্বীকাৰ কৰিয়ে শিক্ষাৰ ঐতিহাসিক পটভূমিৰ ওপৰত থূল মূল ধাৰণা এটা দি লোৱাৰ প্ৰয়াস কৰা হ'ল।

আদিম মানৱে, প্ৰকৃতিৰ পাৰিপাৰ্শ্বিক অৱস্থাৰ স'তে সহবাস কৰিবলৈ যোৱাৰ পথত প্ৰকৃতি পদত্ত ৰ'দ, বৰষুণ, ধুমুহা, শিলাবৃষ্টি, ভুঁইকপকে আদি কৰি প্ৰকৃতিৰ ধংস-সৃষ্টিৰ বিচিত্ৰ ৰূপটোৱে তাৰোপৰি খাদ্যৰ সন্ধান, সংগ্ৰহৰ কৌশলৰ হেতু আদিম মানৱ মনত জিজ্ঞাসা প্ৰকৃতিৰ উদ্ৰেগ ঘটাইছিল। আদিম মানৱৰ এই জিজ্ঞাসা ভাৱৰ বিকাশ ঘটিয়ে এদিন খাদ্যৰ সন্ধান আৰু সংগ্ৰহৰ কৌশল আয়ত্ব কৰিবলৈ সক্ষম হ'ল। সক্ষম হ'ল প্ৰকৃতিৰ বুকুতেই, প্ৰকৃতিৰ প্ৰলয়ংকাৰী বিচিত্ৰ ঘটনা ৰাজিৰ প্ৰতিক্ৰিয়াৰ পৰা হাত সাৰাৰ নিৰাপত্তা মূলক সুস্থ আশ্ৰয় স্থল গঢ়ি তুলিবলৈ। মানৱ সমাজৰ মূখ্য দ্বন্দ হৈছে প্ৰকৃতিৰ জগতৰ স'তে। প্ৰকৃতি জগতক মানৱৰ ব্যৱহাৰৰ উপযোগী কৰি গঢ়ি তুলিবলৈ আদিম মানৱৰ পৰা বৰ্ত্তমানলৈকে যুগ যুগ ধৰি কৰি অহা সংগ্ৰামৰ মাজেদি আহৰণ কৰা প্ৰকৃত জ্ঞান - অভিজ্ঞতাক সমাজৰ সচেতন মহলে আনুষ্ঠানিক ৰূপ দিয়ে। জ্ঞান-অভিজ্ঞতাৰ এই আনুষ্ঠানিক ৰূপটোৱেই হ'ল 'শিক্ষা'।

দৰাচলতে, শিক্ষা আদিম মানৱ সমাজৰ অৱদান। মানৱ সমাজত আখৰ আৱিস্কাৰ হোৱাৰ, শিক্ষক পাঠ্যক্ৰম অৰ্থাৎ শিক্ষানুষ্ঠান গঢ়ি উঠাৰ আৰু ভাষা সৃষ্টিৰ বহু হাজাৰ বছৰ পূৰ্বেই শিক্ষাৰ আৰম্ভ হৈছিল আদিম মানৱ সমাজত। ভাষাৰ অবিহনে বহু হাজাৰ বছৰলৈকে আকাৰ ইঙ্গিতেৰেই ভাৱৰ আদান-প্ৰদান ঘটিছিল। পৰৱৰ্তী কালত বিষয় বস্তুৰ আকাৰৰ ওপৰত নিৰ্ভৰ কৰি ছবি তথা চিত্ৰাংকনৰ সহায়ত ভাৱৰ আদান প্ৰদান ঘটিছিল। চিত্ৰাংকন সমূহ শিলত কাটি আঁকিছিল। সেই হেতুকে শিলালিপি সমূহেই মানৱ সমাজৰ সভ্যতাৰ জোখ-মাখৰ মূল উপাদান তথা মাপকাঠি আছিল। আদিম মানৱৰ বসতিৰ ওপৰতেই নিৰ্ভৰ কৰি সৃষ্টি হৈছিল খেল, বংশ, কুলৰ আৰু পৰৱৰ্তী সময়ত সমাজ। আদিম মানৱে ব্যক্তিগত খোজ তদন্তৰ পৰা আতৰি আহি সামুহিক ভাৱে আৰু সামাজিক ভাৱে নিজকে উন্নতি কৰিবলৈ সক্ষম হয়। দূৰত্বৰ হাবি পাহাৰৰ ব্যবধান, সাগৰ, নদ-নদীয়ে সৃষ্টি কৰা দূৰত্বৰ ব্যৱধান অতিক্ৰম কৰিবলৈ মানৱ সমাজ এদিন সক্ষম হয়। দুৰত্বৰ ব্যৱধান অতিক্ৰমনৰ হেতু ভিন্ন সমাজৰ লগত ভাৱ বিনিময়ৰ প্ৰকাশ ভঙ্গীবো সাল সলনি হয়। সৃষ্টি হয় ভাষা গঢ়ি তোলাৰ পদক্ষেপ।

খাদ্য আহৰণ কৰি আৰু পশু নিধন কৰি জীৱিকা অৰ্জন কৰা আদিম মানৱে এদিন খেতি বৃত্তিৰ আয়োজন কৰিবলৈও সক্ষম হ'ল। খাদ্য সিজাই খাবলৈ শিকিলে, জুইত পুৰি খাবলৈ শিকিলে, মৰা শ সৎকাৰ কৰিবলৈ শিকিলে। জীয়াই থকাৰ সুস্থ বাতাৱৰণৰ হেতু বিৰাট কায় জন্তুবোৰক ধংস কৰিবলৈ সৃষ্টি কৰিলে অস্ত্ৰৰ। মানৱ সভ্যতাৰ বেঙনিৰ এনে প্ৰভাৱত, এনে অগ্ৰগতি, এনে ক্ৰমোন্নতিৰ হেতুকে ভিন ভিন বিষয়ত পাৰদৰ্শিতাৰ আৱশ্যক হ'ল। ফলত পৰীক্ষা নিৰীক্ষাই শিক্ষাৰ উপাদান হৈ পৰিল।

শিক্ষাৰ ঐতিহাসিক পটভূমিক কেন্দ্ৰ কৰি ওপৰৰ শিতানত থূল মূলকৈ হলেও ধাৰণা এটা দিয়াৰ চেষ্টা কৰা হ'ল। এতিয়া আহো সামন্তবাদী সমাজত শিক্ষাৰ আনুষ্ঠানিক ৰূপটোৰ ঐতিহাসিক পটভূমিলৈ।

প্ৰকৃত পক্ষে, মানৱ সমাজৰ ক্ৰম বিকাশৰ তৃতীয় স্তৰ সামন্তবাদী সমাজতহে শিক্ষাই আনুষ্ঠানিক ৰূপ পায়। অৱশ্যে, উক্ত সমাজত শিক্ষা সমাজৰ সকলো শ্ৰেণীৰ মানুহৰ জ্ঞান আহৰণৰ মাধ্যম নাছিল। অৰ্থাৎ সামন্তবাদী সমাজত তথা মধ্যযুগত ৰাজদৰবাৰ আৰু পুৰোহিত তথা ব্ৰাহ্মণ শ্ৰেণীৰ মাজতেই শিক্ষা সীমাবদ্ধ আছিল। যিটোক গুৰুকুল শিক্ষা বুলিয়েই জনা যায়। গুৰুকুল শিক্ষাত ধৰ্মীয় ধ্যাণ-ধাৰণা তথা ধৰ্মীয় চৰ্চাই প্ৰাধান্য পাইছিল। ভাৰত বৰ্ষত গুৰুকুল শিক্ষাৰ মূল পাঠ্যক্ৰম হ'ল। ১। পশুপালন ২। ধনুবিদ্যা তথা অস্ত্ৰ বিদ্যা ৩। ধৰ্ম চৰ্চা তথা বিদ্যা ৪। কৃষি বিদ্যাই এনোবোৰ উপাদানৰ যোগেদিয়েই সামন্তবাদী সমাজত আদিম মানৱ সমাজৰ শিক্ষাই আনুষ্ঠানিক ৰূপ পায়। গুৰুকুলৰ শিক্ষা ব্যৱস্থাত সমাজৰ উচ্চ শ্ৰেণীকহে শিক্ষা গ্ৰহণৰ সুবিধা প্ৰদান কৰা হৈছিল। সমাজৰ নিম্ন বৰ্গৰ বাবে যে শিক্ষা আহৰণৰ সুবিধা নাছিল আৰু আগ্ৰহ থাকিলেও যে আহৰণত বাধা প্ৰদান কৰিবলৈ হিংস্ৰ হৈ উঠিছিল তাৰ জলন্ত প্ৰমান ভাৰতৰ প্ৰথম শ্ৰেণীৰ মহাকাব্য মহাভাৰতত উল্লেখিত নিষাদ পুত্ৰ দ্ৰোণৰ ভূমিকাই স্পষ্ট কৰি দিয়ে। অসমৰ পটভূমিটো এনে দেখাৰ উদাহৰণ পোৱা যায়। বিশেষকৈ সংস্কৃতৰ মহা পণ্ডিত কৃষ্ণ কান্ত সন্দিকৈ দেৰে উচ্চ বৰ্ণৰ ইতিকিংৰ পাত্ৰ হৈছিল লৰালি কালত যোৰহাটৰ বেজবৰুৱা হাইস্কুলত সংস্কৃত অধ্যয়ণ কৰিবলৈ বুলি যাওঁতে "আহোমৰ লৰাই সংস্কৃত অধ্যয়ণ কৰিবলৈ আহিছে বুলি উপহাসহে কৰিছিল।" কিন্তু কালৰ কি বিৰম্বনা যে সেই জন কৃষ্ণ কান্ত সন্দিকৈয়ে হ'লগৈ সংস্কৃতৰ মহাপণ্ডিত।

যি কি নহওঁক, মানৱ সমাজৰ ক্ৰম বিৱৰ্তনৰ ধাৰা অনুযায়ী সমাজৰ তৃতীয় স্তৰৰ শিক্ষা জ্ঞান আহৰণৰ মাধ্যম হিচাবে আনুষ্ঠানিক ৰূপ পায়। প্ৰকৃততে সামন্তবাদী সমাজৰ উত্তৰণ ঘটি পুঁজিবাদী সমাজৰ অংকুৰণতহে শিক্ষা সমাজৰ সকলোশ্ৰেণী মানুহৰ জ্ঞান আহৰণৰ মাধ্যম হিচাবে আনুষ্ঠানিক ৰূপ পায়।

প্ৰকৃতাৰ্থত, শিক্ষাক যদি জ্ঞানৰ সমাৰ্থক বুলি গণ্য কৰা হয়, তেনেহলে বস্তুগত জগতখনেই হৈছে মানুহৰ জ্ঞান আহৰণৰ পটভূমি। বস্তুগত জগতৰ পৰা মানুহৰ বিশেষ ভাৱে বিকশিত মগজুৱে চিন্তা আৰু ধাৰণাৰ জৰিয়তে জ্ঞানৰ পৰিসৰ বঢ়ায়। চিন্তা আৰু ধাৰণাৰ অনুশীলনৰ মাজেদি জ্ঞানে বিকাশ লাভ কৰে আৰু এই প্ৰক্ৰিয়া হৈছে এক নিৰৱ ছিন্ন প্ৰক্ৰিয়া। সূত্ৰবদ্ধ ভাৱে কবলৈ গলে জ্ঞান বা শিক্ষা হ'ল—




মাওঁচে তুঙৰ সূত্ৰ অনুযায়ী জ্ঞানৰ চক্ৰবদ্ধ প্ৰক্ৰিয়া।

## অসমত বৃটিছ যুগৰ শিক্ষা ব্যৱস্থা ঃ

১৮২৬ চনৰ ২৪ ফেব্ৰুৱাৰীত ইৰাবতী নৈৰ পাৰৰ ইয়াণ্ডাবু নামৰ ঠাইখণ্ডত মান ৰজা আৰু বনিয়া বৃটিছৰ মাজত হোৱা সন্ধিৰ মৰ্মে মান ৰজাই অসম ভূখণ্ড বৃটিছৰ হাতত সপি যায়। মান ৰজা আৰু বৃটিছৰৰ মাজৰ সন্ধিৰ সন্ধিক্ষনতেই ছয়শ বছৰীয়া আহোম স্বতন্ত্ৰতাৰ ৰাজতন্ত্ৰ আৰু ৰাজত্বৰ মূলতঃ অসমৰ স্বাধীনতাৰ বেলি মাৰ যায়। বৃটিছৰ সকলে অসম ভূখণ্ডত বৃটিছৰ প্ৰশাসন কায়েম কৰিবলৈ যোৱাৰ পথত যথেষ্ট সমস্যাৰ সন্মুখীন হৈছিল। বিশেষকৈ, স্বতন্ত্ৰতাৰ দাবীত থলুৱালোকৰ অসহয়োগীতাই বৃটিছৰ প্ৰবৰ্ত্তিত প্ৰশাসন ব্যৱস্থাটো বলবৎ কৰাৰ প্ৰধান অন্তৰায় হৈ পৰিছিল। বৃটিছ সকলে উপলব্ধি কৰিছিল থলুৱা এক শ্ৰেণী লোকক বৃটিছৰ মানসিকতাৰে সৃষ্টি কৰি লব নোৱাৰিলে প্ৰশাসন ব্যৱস্থাটো সুচাৰুৰূপে পৰিচালনা কৰাতো ব্যৰ্থ প্ৰচেষ্টাহে হব। তাৰোপৰি, প্ৰশাসন ব্যৱস্থাটোত কেৰানী, মহৰী আদিৰ প্ৰয়োজনীয়তা আছেই যিহেতু এনেবোৰ চাকৰি সৃষ্টিৰে থলুৱা লোকক নিয়োগৰ জৰিয়তে প্ৰশাসন ব্যৱস্থাটোত অংশগ্ৰহণ কৰাই স্থায়ী উপনিবেশ পাতিব পাৰিব বুলি ধাৰণা কৰিছিল। বৃটিছৰৰ প্ৰশাসনিক ব্যৱস্থাত সহায় কৰিব পৰাকৈ সম্যক জ্ঞান তথা শিক্ষা থলুৱা লোকৰ অভাৱ আছিল। এই অভাৱ দুৰ কৰিবৰ নিমিৰ্ত্তে আধুনিক শিক্ষাৰ নামত ১৮৫৩ চনৰ পৰা খ্ৰীষ্টান মিছনেৰী সকলৰ যোগেদি আনুষ্ঠানিক শিক্ষা ব্যৱস্থা এটা প্ৰবৰ্ত্তন কৰিলে অসম মুলুকত। বৃটিছৰ শাসন কালচোৱাত অসমত মুঠ ৩০ (ত্ৰিশ) খন স্কুল স্থাপন কৰে। চিলেট জিলাৰ চৰকাৰী হাইস্কুলখন আৰু চিলঙৰ চৰকাৰী হাইস্কুলখনকে ধৰি দুয়োখন স্কুল যিহেতু বৰ্তমান অসমৰ অন্তৰ্গত নহয়, সেয়ে বৰ্তমান বৃটিছ যুগত স্থাপন কৰা স্কুলৰ সংখ্যা হ'ল ২৮ খন। বৰ্তমানৰ অসম তথা ভাৰতবৰ্ষ বৰ্তি থকা শিক্ষা ব্যৱস্থাৰ লগত সংগতি থকাকৈ অসম তথা ভাৰতবৰ্ষত শিক্ষাৰ প্ৰচলন আৰম্ভ হয়। প্ৰকৃততে, ১৯৩১ চনৰ পাছত মহাত্মা গান্ধীৰ পাঁচ দফীয়া ৰচনাত্মক কাৰ্যক্ৰমৰ জৰিয়তেহে। অসমত বৃটিছ সকলে স্থাপন কৰা স্কুল সমূহৰ বাদেও থলুৱা সচেতন মহলৰ উদ্দ্যোগত ১৯৩১ চনৰ পৰা ৰ৫/৮/৪৭ চনৰ ভিতৰত ৰাইজে মিলি স্থাপন কৰা এনে স্কুলৰ সংখ্যা ( যিবোৰ ভেঞ্চাৰ আছিল) ২৪৮ খন। বেচৰকাৰী ভাৱে ৰাইজৰ উদ্যোগত স্থাপন হোৱা এনেবোৰ স্কুলৰ পাচ ভাগৰ দুভাগ তেতিয়াৰ কামৰূপ জিলা আৰু শিৱসাগৰ জিলাত গঠন কৰা হৈছিল।

প্ৰাইমেৰী শিক্ষাৰ প্ৰসাৰতা লাভ কৰে ১৯৩৮ চনত লোকপ্ৰিয় গোপীনাথ বৰদলৈ মন্ত্ৰী সভা গঠন হোৱাৰ পাছৰ পৰা। খিলঞ্জীয়া জনজাতীয় অঞ্চলবোৰতো ৰাইজৰ উদ্যোগত স্থাপন কৰা স্কুলৰ সংখ্যা তাকৰ নাছিল। সেই সময়ত অসম ট্ৰাইবেল লীগৰ নেতৃত্ব দিছিল লোকনাথ ব্ৰহ্মা, ভিমবৰ দেউৰী আৰু ধৰণীধৰ বসুমতাৰীয়ে। ট্ৰাইবেল লীগৰ নেতৃত্ব, আৰু গোপীনাথ বৰদলৈৰ মাজত হোৱা চুক্তি মৰ্মে ট্ৰাইবেল সমাজত তথা এলেকাত স্থাপিত হোৱা (ৰাইজে পতা) প্ৰতিখন প্ৰাথমিক স্কুলক স্বীকৃতি দিয়া হয়। এনে স্বীকৃতি প্ৰাপ্ত স্কুলৰ সংখ্যা আছিল ৩৬৪ খন। তাৰোপৰি ১৯৩৮ চনলৈকে কলেজীয়া শিক্ষা কটন কলেজত আবদ্ধ আছিল। ১৯৩৯ চনত তিনিখন প্ৰাইভেট কলেজ স্থাপন হয়। যোৰহাটৰ জে, বি, কলেজ, বৰপেটাৰ এম,চি,চৌধুৰী কলেজ, আৰু শিলচৰৰ গুৰুচৰণ কলেজ। সম্প্ৰতি অসমত কলেজৰ সংখ্যা ১,৫০০ খন।



বৃটিছ সকল অহাৰ পাছতে আমেৰিকাৰ বেপ্তিষ্ট মিছনেৰী সকল অসমলৈ আহে খ্ৰীষ্ট ধৰ্ম প্ৰচাৰ আৰু প্ৰসাৰৰ হেতু। তেওঁলোকে প্ৰথমবাৰৰ বাবে অসমত ছপা শাল স্থাপন কৰে আৰু প্ৰথম বাৰৰ বাবে "অৰুনোদয়"কাকত খন প্ৰকাশ কৰে শিক্ষিত এচাম থলুৱাৰ আপুৰুগীয়া প্ৰচেষ্টাত। আমেৰীকান মিছনেৰী সকলে এচাম মধ্যবিত্ত মানসিকতাৰ থলুৱা অসমীয়াক আকৰ্ষণ কৰিব পাৰিছিল যদিও খ্ৰীষ্ট ধৰ্মৰ প্ৰতি আকৰ্ষণ কৰাবলৈ সক্ষম নহল। অৱশ্যে, অসমৰ ভাষাকেন্দ্ৰীক দুৰ্য্যোগৰ সময়চোৱাত বেপ্তিষ্ট মিছনেৰী সকলৰ ভুমিকাক শলাগ লব লগা আছিল যদিও বৃটিছ সকলৰ দৰে তেওঁলোকৰো যে খ্ৰীষ্ট ধৰ্ম প্ৰচাৰেই মূল উদ্দেশ্য আছিল সেই বিষয়ত অৱগত হবলৈ থলুৱা অসমীয়াই বেছি দিন বাট চাব লগা নহ'ল। সময়ত অহা বাটেৰেই ঘুৰি যাবলৈ তেওঁলোক বাধ্য হ'ল। আমেৰিকান মিছনেৰী সকলৰ সমসাময়িকভাৱে বৃটিছ মিছনেৰী সকলেও অসমৰ সামাজিক ক্ষেত্ৰখনত খ্ৰীষ্ট ধৰ্ম প্ৰচাৰৰ হেতু প্ৰচেষ্টা অব্যাহত ৰাখিছিল। আমেৰিকান মিছনেৰী সকল ধৰ্ম প্ৰচাৰত বিফল হ'লেও বৃটিছ সকলে অসমৰ সমাজৰ দুৰ্ব্বল অংশটো ঠিকেই চিনাক্ত কৰিব পাৰিছিল। অসমৰ পাহাৰ ভৈয়ামৰ নিৰক্ষৰ জনজাতি সকলৰ মাজত খ্ৰীষ্ট ধৰ্ম প্ৰচাৰত বৃটিছ মিছনেৰী সকল সফল হৈছিল। অসমকে ধৰি বৰ্ত্তমানৰ উত্তৰ পূৰ্বাঞ্চলৰ সাতোখন ৰাজ্যতে বৃটিছ মিছনেৰী সকল ধৰ্ম প্ৰচাৰত সফল হ'ল। এই মিছনেৰী সকলে ধৰ্ম প্ৰচাৰ, আনুষ্ঠানিক শিক্ষা ব্যৱস্থাৰ মাজেদিয়েই সফল ৰূপ দিছিল। অসম তথা উত্তৰ পূৰ্বাঞ্চলত এই মিছনেৰী সকলে প্ৰতিষ্ঠা কৰা স্কুল সমূহ আধুনিক শিক্ষাৰ নামত চৰকাৰী শিক্ষা ব্যৱস্থাৰ সামান্তৰালভাৱে বৰ্ত্তমানেও বৰ্ত্তি আছে। মিছনেৰী সকলৰ ক্ষেত্ৰত শিক্ষা ব্যৱস্থাটো খ্ৰীষ্ট ধৰ্ম প্ৰচাৰৰ এক মাধ্যমহে। মিছনেৰী সকলে প্ৰবৰ্ত্তন কৰা শিক্ষা ব্যৱস্থাটোৱে এটা মধ্যবিত্ত শ্ৰেণীৰহে সমাজত সৃষ্টি কৰি আহিছে।

বৃটিছ সকলে অসমত ১২১ বছৰ ৰাজত্ব চলাইছিল। সেই সময় চোৱাত অসমৰ জনসংখ্যা ১২ লাখৰ কম নাছিল। আধুনিক সভ্যতাৰ পোহৰ বিলাই সুশিক্ষিত কৰিবলৈ ৰচ লাখ জনসংখ্যাৰে পৰিবেষ্টিত অসমত ১২১ বছৰত ৩০ খন স্কুলেই যথেষ্ট নাছিল। প্ৰকৃততে, শোষণ লুণ্ঠনৰ স্বাৰ্থত প্ৰবৰ্ত্তিত প্ৰশাসন ব্যৱস্থাটোৰ প্ৰয়োজনীয়তাৰ ওপৰতহে গুৰুত্ব দিছিল এক শ্ৰেণীক বৃটিছ মানসিকতাৰে গঢ় দি লুণ্ঠনৰ প্ৰক্ৰিয়া অব্যাহত ৰাখিবলৈ, অসম বাসীক আধুনিক শিক্ষাৰে সু-শিক্ষিত কৰিবলৈ নহয়।

বৃটিছ চৰকাৰৰ আমোলত চৰকাৰী পৃষ্ঠপোষকতাত আৰু মিছনেৰী সকলে প্ৰবৰ্ত্তন কৰা স্কুল সমূহৰ বাদেও থলুৱা সচেতন লোকৰ পৃষ্ঠপোষকতাত প্ৰবৰ্ত্তিত শিক্ষা ব্যৱস্থাটোও বৃটিছৰ আৰ্হিতে থন ধৰি উঠিছিল। পাৰ্থক্য বুলিবলৈ নাছিল বুলিয়েই কব পাৰি। যি কি নহওক, বৃটিছ যুগৰ শিক্ষা ব্যৱস্থাটো প্ৰকৃত শিক্ষা ব্যৱস্থা হয়নে নহয়। এই শিক্ষা ব্যৱস্থাই কাক উপকৃত কৰিছে - অহা সংখ্যাত "৪৭ৰ স্বাধীনতাৰ পাছৰ শিক্ষা ব্যৱস্থা" শীৰ্ষক আলোচনা পাৰ্যমানে বিশ্লেষণ কৰিবলৈ চেষ্টা কৰা হ'ব। □

# সাহিত্যাচাৰ্য্য যজ্ঞেশ্বৰ শৰ্মা - এটি শ্ৰদ্ধাৰ সোঁৱৰণ

❑ কল্পনা হাজৰিকা গায়ন

গতিশীল সময় কেতিয়াবা স্তব্ধ হয়। স্তব্ধ হৈ যায় মানুহৰ চিন্তা-চেতনা। সেইদিনাও তেনে হৈছিল। তেৰ নৱেম্বৰৰ দুপৰীয়া এক বজাৰ লগে লগে স্তব্ধ হৈ গৈছিল নগাঁওবাসী ৰাইজৰ জীৱন প্ৰবাহ। ঘৰে ঘৰে বাজি উঠা ফোনত ধ্বনিত হৈছিল অবাঞ্চিত এটি বাক্য - যজ্ঞেশ্বৰ শৰ্মাচাৰ ঢুকাল। যেন সেই সময়ত প্ৰত্যেকেই এই খবৰ ইজনে সিজনক জনোৱাটো একান্ত কৰ্তব্য ৰূপে পৰিগণিত হৈছিল।

লগে লগে চাৰৰ ঘৰত উপস্থিত হৈছিল অগণন ৰাইজ। শেষ দৰ্শনৰ আশাত নিজৰ কাম এৰি বহুজন ঢপলিয়াই আহিছিল চাৰৰ ঘৰলৈ। শেষ বয়সত যজ্ঞেশ্বৰ শৰ্মা যেন এটি কিম্বদন্তিলৈ ৰূপান্তৰিত হৈছিল। মনুষ্যত্বৰ সীমা পাৰ হৈ দেৱত্বগুণৰ অধিকাৰী হৈ পৰিছিল তেওঁ।

সমগ্ৰ নগাঁও বাসী ৰাইজৰ বাবে চাৰ আছিল এক অমূল্য গৌৰৱ। এটি অনুষ্ঠান। দূৰ-দূৰণিৰ পৰা অহা আত্মীয়-স্বজনক গৌৰৱেৰে কৈছিলো - নগাঁৱত দুটি অনুষ্ঠান আছে - এটি বৰদোৱা তীৰ্থ - অসমীয়া সংস্কৃতিৰ ভেটি আৰু আনটি সম্পদ - যজ্ঞেশ্বৰ শৰ্মা - অসমীয়া সাহিত্য সংস্কৃতিৰ কাণ্ডাৰী।

ন-পুৰণিৰ মধুৰ সংমিশ্ৰণ ঘটিছিল যজ্ঞেশ্বৰ শৰ্মাৰ জীৱনত। তিতাবৰৰ বগাৰ গাঁৱৰ আউনীআটি সত্ৰীয়া সংস্কৃত সাহিত্য আৰু জ্যোতিষ শাস্ত্ৰচৰ্চাকাৰী লক্ষ্মীনাথ শৰ্মাৰ ঔৰষত কোকিলেশ্বৰী দেৱীৰ গৰ্ভত স্থিতি লাভ কৰি ১৯০৬ চনত জন্ম গ্ৰহণ কৰে যজ্ঞেশ্বৰ শৰ্মাদেৱে। তেতিয়াৰে পৰা চাৰিকুৰি তেৰবছৰ কাল অতিক্ৰম কৰি তেখেতে নানান অভিজ্ঞতাৰে সমৃদ্ধিশালী হৈ নিজৰ স্বকীয় ব্যক্তিত্ব গঢ়ি তুলিলে। ধন-দৌলত অথবা স্বাস্থ্যৰ উন্নতি নোহোৱাকৈয়ে নিজৰ গুণৰ বলতে সৃষ্টি কৰি গ'ল এটি যুগৰ।

চাৰি কুৰি বছৰ অতিক্ৰম কৰাৰ লগে লগে তেখেতৰ ইন্দ্ৰিয় শক্তি বিকল হ'ল। মাত্ৰ সজাগ হৈ থাকিল স্মৃতি আৰু বাক্ শক্তি। স্মৃতিৰ বৰপেৰা খুলি তেখেতে চৰ্চা কৰি গ'ল সাহিত্যৰ। শ্ৰুতলিপি দি চিৰস্থায়ী কৰিলে তেখেতৰ জীৱন আৰু জীৱনবোধৰ অভিজ্ঞতা।

অমায়িকতাই ব্যক্তিত্বৰ প্ৰধান ভূষণ হিচাপে লোৱা যজ্ঞেশ্বৰ শৰ্মাই নিজৰ পাণ্ডিত্যক কোনো দিনে অহংকাৰ হিচাপে ব্যৱহাৰ কৰা নাছিল। নিজৰ ৰচনা ৰাজিকো ৰূপ-গন্ধহীন কথনা ফুলৰ লগতেই ৰিজাইছিল।

প্ৰকৃতি পৰাভূত হয়। অসামান্য ব্যক্তিত্বৰ ওচৰত। যজ্ঞেশ্বৰ শৰ্মাৰ ওচৰতো হাৰ মানিছিল প্ৰকৃতিয়ে। সেয়েহে শয্যাশায়ী হৈয়ো শৰ্মাই জীৱনৰ প্ৰেৰণা, জীয়াই থকাৰ উদ্যম হেৰুৱাই পেলোৱা নাছিল।

ব্ৰাহ্মণ সমাজৰ ৰীতি অনুসৰি যজ্ঞেশ্বৰ শৰ্মা বাল্য কালতে বিবাহ পাশত আবদ্ধ হৈছিল ব্ৰজবালা দেৱীৰ লগত। তিনিকুৰি চাৰিটা বছৰ একেলগে অতিবাহিত কৰি তেওঁ পত্নীক এৰি স্বৰ্গগামী হ'ল। ইয়াতো তেওঁৰ পত্নীৰ আক্ষেপ নাই। চৌষষ্ঠি বছৰ স্বামীৰ সান্নিধ্যত জীৱন ধন্য কৰা ব্ৰজবালা দেৱীয়ে আজি স-গৌৰৱেৰে ঘোষণা কৰিছে স্বামীৰ মিঠা সোঁৱৰণ।

সাহিত্যৰ সাধকৰূপে নিজক প্ৰকাশ কৰি আচাৰ্য্য ৰূপেৰে পৰিগণিত হোৱা যজ্ঞেশ্বৰ শৰ্মাৰ কেইবাটাও ভাষাত অগাধ পাণ্ডিত্য আছিল। ইংৰাজী, অসমীয়া, সংস্কৃত, বঙালী আৰু প্ৰাকৃত ভাষা সাহিত্যৰ গভীৰ জ্ঞানেৰে পুষ্ট হোৱাৰ বাবেই তেওঁ ৰচনা কৰিবলৈ সক্ষম হ'ল ভিন্ন ৰসৰ, ভিন্ন ৰুচিৰ সাহিত্য, কবিতা, প্ৰবন্ধ, সমলোচনা মূলক গ্ৰন্থৰ উপৰিও তেখেতৰ সৃষ্টি কৰ্মৰ চিৰ যুগমীয়া খ্যাতি হিচাপে পৰিগণিত হৈ ৰ'ব - এৰিষ্ট'টলৰ Poetics ৰ অসমীয়া অনুবাদ 'এৰিষ্ট'টলৰ কাব্যতত্ত্ব' আৰু অসমীয়া কবিতাৰ সংকলন 'শতপত্ৰ'ৰ সম্পাদনা।

নিজস্ব ৰীতি আৰু সৰল কথন ভংগীৰে সাহিত্য সৃষ্টি কৰা যজ্ঞেশ্বৰ শৰ্মাৰ ৰচনা ৰাজিত মগজুৰ কৰ্ষন অথবা আবেগ সঞ্চাৰী প্ৰাণানুভূতি নাই সচাঁ - কিন্তু তেওঁৰ ৰচনাত আছে মিতব্যয়ী ভাষাৰে সমাজৰ বহুৱা ৰূপক তীক্ষ্ণ সমলোচনাৰে থকা-সৰকা কৰিব পৰা শব্দ শক্তি।

আমি তেখেতক গভীৰ শ্ৰদ্ধাৰে সোঁৱৰণ কৰিছো। ❑

## দিনপঞ্জী

**জন্ম** ঃ - ১৯০৬ চন।

**স্থান** ঃ - যোৰহাট জিলাৰ তিতাবৰ মৌজাৰ হামদৈ বগাৰ গাওঁ।

**শিক্ষা জীৱন** ঃ - ১৯১৯ চনত মধ্য ইংৰাজী বিদ্যালয়ৰ বৃত্তি পৰীক্ষাত শিৱসাগৰ জিলাৰ ভিতৰতপ্ৰথম স্থান লাভ।

১৯২৪ চনত মেট্ৰিকুলেচন পৰীক্ষাত অসমীয়া, সংস্কৃত আৰু অংকত লেটাৰ সহ প্ৰথম বিভাগত উৰ্ত্তীৰ্ন।

১৯২৫ চনত আই, এ, পৰীক্ষাত প্ৰথম বিভাগ লাভ।

১৯২৮ চনত কলিকতাৰ প্ৰেচিডেন্সি কলেজৰ পৰা ইংৰাজী মুল বিষয় হিচাপে লৈ স্নাতক পৰীক্ষাত প্ৰথম স্থান লাভ।

১৯৩০ চনত এই কলেজৰ পৰাই ইংৰাজীত সুখ্যাতিৰে স্নাতোকত্তৰ পাঠ্যক্ৰম সম্পূৰ্ণ কৰে।

১৯২৯ চনত যোৰহাট হাইস্কুলত ইংৰাজী বিষয় শিক্ষক হিচাপে যোগ দিয়ে।

১৯৩০ চনত প্ৰতিস্থাপক অধ্যক্ষ হিচাপে যোৰহাট কলেজত যোগ দিয়ে। সেই একেই বছৰতে তেওঁ শ্ৰীহট্টৰ মুৰাৰীচা'দ কলেজতো অধ্যাপনা কৰে।

১৯৪৪ চনত নগাওঁ কলেজৰ প্ৰতিস্থাপক অধ্যক্ষ হিচাপে যোগ দিয়ে।

১৯৬৮ চনত অৱসৰ গ্ৰহণ কৰে।

১৯৬৮ চনৰ পৰা ১৯৭০ চনলৈ যোৰহাট ইউনিভাৰ্ছিটিৰ কাৰ্যনিৰ্বাহক সদস্য ৰূপে যোগ দিয়ে।

১৯৮৮ চনত ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ পৰা "ডি, লিট" উপাধি লাভ কৰে।

সাহিত্য বৃত্তি ঃ- সাহিত্য সংস্কৃতিৰ প্ৰবাহ, বেজবৰুৱা আৰু গাৱলীয়া জীৱন, ফুল আৰু জুই, আজি দুপৰীয়া, সেই বাবুটো, লেফাফা , সম্পাদিত কাব্যগ্ৰন্থ শতপত্ৰ, অনুবাদ গ্ৰন্থ কনিকা, গোলিষ্ঠানৰ সাধু অন্যতম।

১৯৭৬ চনত অসম সাহিত্য সভাৰ টিহু অধিৱেশনৰ সভাপতি।

মৃত্যু ঃ - ১৯৯৮ চনৰ ১৩ নৱেম্বৰ।

OKDISCD

# কবিসকলৰ প্ৰতি

❑ মনোহৰ তাঁতী

তোমালোক কবি
গোলাপৰ বাগিছাৰ নিজানত তোমালোকৰ ঘৰ
দূৰৰ পৰাই জিলিকি থাকে
তোমালোকৰ কোঠাৰ দুৱাৰ-খিড়িকীত
ওলমি থকা সেউজীয়া পৰ্দা;



বতাহৰ দিশত হালে
তোমালোকৰ ঘৰবোৰ
খিড়িকীৰ পৰ্দাবোৰ
তোমালোকৰ খোজবোৰো বতাহৰ দিশত বয়
ঋতুৰে সলাই পেলাই তোমালোকৰ বৰ্ণিল সাজ ;



কেতিয়াবা ভাবানে
বতাহৰ বিপৰীতে শইচৰ গুটিবোৰ সিঁচি দিয়াৰ কথা

কবিতা আচলতে কাৰফলীয়া বাৰু ?

মই জনাত তোমালোকে সৃষ্টিৰ কথাহে কোৱা
ভৰি থব নোৱাৰা পলসৰ পথাৰত
তোমালোকৰ বাবেই প্ৰেৰণ কৰিব খোজো বাৰ্তা
মোৰ নিহত হৃদয়ৰ আৰু
অত্যন্ত ক্লান্তিকৰ যাত্ৰাৰ পিছতো
গাব খোজো প্ৰতিশ্ৰুতিৰ গান
সৈনিকৰ দৰে পাহাৰ বগাই খোজো অত্যুৎসাহ
নদীক কৰিব খোজো অধিক চঞ্চল। ❑





# ক'ত থম ইমানবোৰ এন্ধাৰ ...

❑ দ্বীপেন চন্দ্ৰ মেনা



ক'ত থ'ম ইমানবোৰ এন্ধাৰ
ধৰ্ষিতা স্বদেশত
হাফলু ফুটি ওলাইছে ধোঁৱা
হেদালি বগাই নামিছে সাপ
এসাগৰ এন্ধাৰ ———
আৰু তুমি 'চিকেন্' চেলেকি ভাবিছা—
কিবা বাকী ৰ'ল নেকি উপভোগ কৰিবলৈ

এতিয়া -
মোৰ দেশতেই চোন নৰকৰ নৰক
কোকৰাঝাৰ, নলবাৰী, কলাইগাওঁ
বুট জোতাৰ গচকত বেহেলাখনে কান্দে
বলি দিব নিয়া পঠাটোৰ দৰে——



দুখে চোন কুটি-কুটি খায় পোহৰ
নিঃস্ব কলিজাতেই উবুৰি খাই পৰি ৰয়
এদোৰাত দুঃখ ———

আইতাৰ হাঁচতিখনো সিদিনা হেৰাল
ক'ত থ'ম ইমানবোৰ এন্ধাৰ ——। ❑

# মাৰ্ক্সবাদৰ ঐতিহাসিক ভিত্তি

❑ তপন দত্ত

পদাতিকৰ ১ম বছৰৰ ৩ য় সংখ্যালৈকে সমাজ বিজ্ঞানৰ আদিপাঠত মাৰ্ক্সীয় দৰ্শনৰ ওপৰত অতি সামান্য আলোচনা কৰা হৈছিল, তাকো সংক্ষিপ্ত ৰূপত। কাৰ্লমাৰ্ক্সৰ মাৰ্ক্সবাদী দৰ্শনৰ গভীৰ বিষয় সমূহত আমাৰ এনে সামান্য আৰু অগভীৰ লেখাই স্বাভাৱিকতে দৈন্যতাৰে পৰিপূৰ্ণ হ'ব, তথাপিও মাৰ্ক্সবাদৰ প্ৰতি আকৰ্ষণ থকা নতুন চামৰ কিছু সহায়ক হওঁক বুলি ভাবিয়েই কালমাৰ্ক্সৰ জীৱন পঞ্জীৰ বিশেষ দিশ কিছুও উনুকিওৱা হৈছিল। কাৰ্লমাৰ্ক্সৰ সময়ৰ জন্মভূমি জাৰ্মানীৰ আৰ্থ-ৰাজনৈতিক, সামাজিক আৰু বৌদ্ধিক পৰিমণ্ডলৰ লগতে সমসাময়িক বিশ্বৰ আৰ্থ-ৰাজনৈতিক পৰিস্থিতিৰ (বিশেষকৈ ইংলেণ্ড আৰু পেৰিচৰ) ওপৰতো কিছু দিশ আলোকপাত কৰা হৈছিল যাতে মাৰ্ক্সৰ চিন্তা চৰ্চাৰ ভিত্তিভূমি পাঠক সমাজৰ জ্ঞাত হয়। মাৰ্ক্সৰ জীৱন পঞ্জীৰ বাকী থকা অংশ সাময়িক ভাবে পিছুৱাই ৰাখি ( যিহেতুকে পূৰ্বৰ এই আলোচনাত দৃষ্টিপাত কৰিবলৈ চেষ্টা কৰা হৈছে যে ভাৱবাদী দৰ্শনৰ প্ৰতি বিশ্বাস থকা কাৰ্লমাৰ্ক্স কেনেকৈ এজন বস্তুবাদী দাৰ্শনিকলৈ যাত্ৰা আৰম্ভ কৰিলে) আমি পুনৰ মাৰ্ক্সবাদৰ মূল তাত্বিক আলোচনা কিছু দূৰলৈ আগবঢ়াই নিব খুজিছো।

ইয়াৰ পূৰ্বে কৰা আলোচনাত দৰ্শন / ভাৱবাদ/ বস্তুবাদ / বস্তু/ চিন্তা/ চেতনা/ জ্ঞান/ আদি যি সমূহ বিষয়ৰ ওপৰত আলোচনা আগবঢ়াইছিলো সেই আলোচনাও মাৰ্ক্সীয় দৰ্শনৰ আধাৰতে কৰা হৈছিল। মাৰ্ক্সীয় দৰ্শনৰ মূল প্ৰতিপাদ্য বিষয় সমূহৰ ওপৰত যিহেতুকে বিশদ আলোচনা কৰা আমাৰ উদ্দেশ্য নহয় সেয়েহে মুল প্ৰতিপাদ্য বিষয় সমূহৰ সংক্ষিপ্ত আলোচনাতে আমাৰ লেখা সীমাবদ্ধ থাকিব।

মাৰ্ক্সবাদ বুলি কলে আজি কেৱল কাৰ্ল মাৰ্ক্সৰ অবদান খিনিকে নুবুজায়। মাৰ্ক্সবাদ যিহেতুকে এক বিজ্ঞান, গতিশীল ৰূপৰ মাজতে মাৰ্ক্সবাদক সেয়েহে বিচাৰ বিশ্লেষণ কৰিব লাগিব। মাৰ্ক্সবাদ বা মাৰ্ক্সীয় দৰ্শন সমাজ বিজ্ঞানৰ (Sociology) ৰ বাবেও এনে এক Formula তত্ব নহয় যে, $(a+b)^2$ সূত্ৰৰ দৰে সমাজৰ সমস্যা সমূহ অথবা সামাজিক বিকাশৰ Data সমূহ সুমুৱাই দিলেই পৰিশেষত এটা সিদ্ধান্ত বাহিৰ হ'ব। সমাজৰ সমস্যা সমূহ অধ্যায়ন আৰু সংখ্যা গৰিষ্ঠৰ সমাজ বিকাশৰ বাবে মাৰ্ক্সবাদ হ'ল পথ প্ৰদৰ্শক নীতি। কিন্তু অনুশীলনকাৰী সকলৰ সঠিক আৰু সফল অনুশীলনো মাৰ্ক্সীয় তত্ব পৰীক্ষণৰ জৰুৰী দিশে।

মাৰ্ক্সীয় দৰ্শনক সমৃদ্ধ কৰাত কেৱল কাৰ্লমাৰ্ক্সৰে একচেতীয়া অৱদান নাই। ফেডৰিক এংগেলস্‌ৰ সহায় সহযোগিতা আৰু তেওঁৰ অৱদান খিনিক নিলগাই থলেও মাৰ্ক্সবাদ অসম্পূৰ্ণ হৈ ৰ'ব। মাৰ্ক্সীয় দৰ্শনক যুগ সাপক্ষে সমৃদ্ধিশালী কৰাত ষ্টেলিন, লেনিন, মাঁও-চে্-তুঙ,



ফিডেল কেষ্টো, হো-চি-মিন আদিৰো অৱদান অনস্বীকাৰ্য। লেনিন, মাঁও-চে্-তুঙ, ফিডেল কেষ্টো, হো-চি-মিন আদিয়ে এই তত্ব সমূহৰ সঠিক মূল্যায়ন আৰু অনুশীলন কৰি মাৰ্ক্সীয় দৰ্শনক প্ৰায়োগিক দিশত সমৃদ্ধিশালী কৰি গৈছে।

বিশ্বত পোন প্ৰথমবাৰৰ বাবে মাৰ্ক্সীয় দৰ্শনক সফল ব্যৱহাৰ কৰি বিশ্বৰ প্ৰথম খন সমাজতান্ত্ৰিক ৰাষ্ট্ৰ প্ৰতিষ্ঠাৰ মাজেৰে লেনিনে যি মহামূল্য অৱদান আগবঢ়াই থৈ গৈছিল সেই অৱদান খিনিক লৈয়ে আজি গঢ়ি উঠিছে মাৰ্ক্সবাদ লেনিনবাদী তত্বৰ আধাৰ। সেয়েহে মাৰ্ক্সবাদ বুলি কলে মাৰ্ক্সবাদ লেনিনবাদকে সূচায়।

মাৰ্ক্স আৰু লেনিনৰ অৱদান সমূহৰ সংক্ষিপ্ত তালিকাভিত্তিক অৱদান এই পাঠত আগবঢ়োৱা হৈছে আলোচনাটো সংক্ষিপ্ত ৰূপত আলোচনা কৰিবলৈ যাতে সুবিধা হয়। দুয়োজনা মনিষিৰ সকলো অৱদানেই যথাযোগ্য ইয়াত উল্লেখিত হোৱা নাই যদিও সামগ্ৰিক ভাৱে মূল বিষয় এইখিনিয়েই। নতুন পাঠক সকলে এই বিষয়ত গভীৰ ভাৱে মনোনিবেশ কৰিলে ইয়াতকৈ সমৃদ্ধ অৱদানৰ গৰ্ভলৈ সোমাব পাৰিব বুলি আমি আশাবাদী।

## সংক্ষেপে মাৰ্ক্সীয় দৰ্শন

মাৰ্ক্সীয় দৰ্শন গঢ়িউঠাৰ ঐতিহাসিক পূৰ্বস্বত্ব অথবা ভিত্তি ভূমিঃ

**(১) জাৰ্মান চিৰায়ত দৰ্শন ঃ** উপযুক্ত পৰিবেশ আৰু পৰিস্থিতি নাথাকিলে হঠাতে "অলৌকিক ধৰণৰ" কোনো ঘটনা নঘটে। কাৰ্ল মাৰ্ক্স জন্মসূত্ৰে বিপ্লৱী নিশ্চয় নাছিল অথবা হঠাতে তেওঁ মাৰ্ক্সীয় দৰ্শনৰ বিভিন্ন সূত্ৰ সমূহ আৱিস্কাৰ কৰিব পৰা নাছিল। তেওঁ কেৱল সামাজিক ঘটনা ৰাজীৰ ওপৰত বিজ্ঞান সন্মত সুক্ষ্ম বিশ্লেষণ কৰিব পাৰিছিল। মাৰ্ক্সৰ জন্মৰ বহু বছৰ আগতেই বস্তুবাদী প্ৰৱনতাবোৰে ঠন ধৰি উঠিছিল, মাৰ্ক্সে কেৱল তাক সূত্ৰবদ্ধ কৰিব পাৰিছিল।

গভীৰ বৌদ্ধিকতা আৰু মৌলিক চিন্তা সম্পন জাৰ্মান চিৰায়ত দৰ্শনৰ ভাৱবাদী প্ৰৱনতাবোৰৰ বিপৰীতে মাৰ্ক্স আৰু এংগেলসৰ যি সংশয়, কৌতুহল আৰু জিজ্ঞাসা, সেই কৌতুহল আৰু জিজ্ঞাসাই লাহে লাহে তেওঁলোকক বস্তুবাদী ধ্যান ধাৰণালৈ লৈ গৈছিল। মাৰ্ক্সৰ আগৰ বহু সমাজবিদেই আকৌ বস্তুবাদী ধ্যান ধাৰণাৰ ওপৰত চৰ্চা কৰিছিল। জাৰ্মান চিৰায়ত দৰ্শন মূলতঃ ভাৱবাদী দৰ্শন হ'লেও মাৰ্ক্সে তাৰ পৰাই বস্তুবাদী বৈশিষ্টৰ সাহবোৰ সংগ্ৰহ আৰু বিকশিত কৰিব পাৰিছিল। এই দিশৰ সামগ্ৰিক চিন্তা চৰ্চাৰ পৰাই মাৰ্ক্সীয় দৰ্শনৰ দাৰ্শনিক তত্ব সমূহৰ উদ্ভৱ হৈছিল।


**(২) ইংৰাজ চিৰায়ত অৰ্থশাস্ত্ৰ ঃ** ইংলণ্ডৰ শিল্প বিপ্লৱৰ ফলশ্ৰুতিত বিকশিত হোৱা পুঁজিবাদী ভাৱধাৰাক কেন্দ্ৰ কৰিয়েই ইংৰাজ চিৰায়ত অৰ্থশাস্ত্ৰই বিকাশ লাভ কৰিছিল। ডেভিড ৰিকাৰ্ডো, আদাম স্মিথ আদি এই অৰ্থশাস্ত্ৰৰ অন্যতম মূল ভেটি। পুঁজিবাদৰ বিকাশ,

পুঁজিপতিৰ লাভ আৰু শ্ৰমিক সৰ্বহাৰা শ্ৰেণীৰ প্ৰতি অমানৱীয় দৃষ্টিভঙ্গিৰ প্ৰকট ৰূপ এই অৰ্থশাস্ত্ৰ সমূহত বিকশিত হৈছিল।

ইয়াৰ বিপৰীতে পুঁজিপতিৰ লাভৰ উৎস, পুঁজি চুৰি কৰা অথবা শ্ৰম শোষণৰ কিটিপ কায়দা সমূহৰ ওপৰত মাৰ্ক্সে গভীৰ পৰ্যবেক্ষণ, তথ্য সংগ্ৰহ কৰণ আৰু অধ্যয়ণৰ যোগেদি পুঁজিপতি সকলৰ লাভৰ উৎস উদঘাটন কৰিছিল। ডেভিড ৰিকাৰ্ডো, আদাম স্মিথে সূত্ৰায়িত্ৰ কৰা উৎপাদন সম্পৰ্কৰ (মানুহৰ লগত মানুহৰ সম্পৰ্ক) বিপৰীতে মাৰ্ক্সে উৎপাদন সম্পৰ্কক মানুহৰ লগত মানুহৰ সম্পৰ্কৰ জৰিয়তে সূত্ৰায়িত কৰিছিল।

**ফৰাচী বিপ্লৱৰ মতবাদ** ঃ ১৭৮৯ চনত হোৱা ফৰাচী বিপ্লৱৰ শিক্ষা পৃথিৱীৰ ইতিহাসত এক নতুন অধ্যায়ৰ সংযোজন। ফৰাচী বিপ্লৱৰ জৰিয়তে বুৰ্জোৱা সকলে ক্ষমতা পোৱাৰ পাছত পুনৰ বুৰ্জোৱা ৰাষ্ট্ৰ প্ৰতিস্থা কৰাৰ অভিজ্ঞতাৰ পাছত, ৰাষ্ট্ৰ ক্ষমতাৰ অধিকাৰী সৰ্বহাৰা, খাটি খোৱা ৰাইজ হ'ব লাগিব বুলি মাৰ্ক্সে অভিমত ব্যাক্ত কৰিছিল (সৰ্বহাৰাৰ একনায়কত্ববাদী ৰাষ্ট্ৰ) একেদৰে এই শিক্ষাৰ পৰাই সমাজবাদী সমাজৰ বাবে প্ৰয়োজনীয় ৰূপৰেখাৰ সূত্ৰ মাৰ্ক্সে সূত্ৰবদ্ধ কৰে। □

(পৰৱৰ্তী সংখ্যাত - দ্বন্দ্বমূলক বস্তুবাদ)






গল্প

# প্ৰত্যাৱৰ্তন

□ কবিতা বৰা



প্লাবিতা বৰ দোধোৰ মোধৰত পৰিল। এফালে মাক দেউতাকৰ চিন্তাক্লিষ্ট মুখ আৰু আনফালে মনোজ আৰু তাইৰ প্ৰেম। মাকৰ কথা, "আইজনী তইনো এনেখন কিয় কৰিছ। দেউতাৰৰ ৰিটায়াৰ হ'বলৈ কেইমাহ মান বাকী। তোক অন্ততঃ দিব পাৰিলেও বহুতো সকাহ পাঁও।"

"এৰা দে, মই সকলোৰে কাৰণে বোজা হৈ পৰিছো। বিয়া হোৱাটো ইমান সহজ কথা নেকি যে যাৰে তাৰে লগতে হ'ব পাৰি।" এইবোৰ কথাই তাই ঘৰৰ মানুহখিনিক কৈ বুজাব নোৱাৰে। কোনেও বুজি নাপায় তাইৰ কথা।

এনেয়ে হ'লেও কথা নাছিল। কিন্তু মনোজৰ লগত তোৰ বিয়া মুঠেই সম্ভৱ নহয়। এটা এক্সট্ৰিমিষ্টৰ লগত বিয়া, ইট ইজ কুৱাইট ইমপচিবল। কিন্তু এক্সট্ৰিমিষ্ট হ'ল বুলিয়ে যে -। নাই, এই বিষয় লৈ তাই দেউতাকৰ লগত মুখামুখি হৈ একো লাভ নাই। নিজৰ ধ্যান-ধাৰণাকে শুদ্ধ বুলি মানি লৈ সেইটোকে আকোঁৰগোজ কৈ লাগি থকা দেউতাকক বুজায় যে কোনো লাভ নাই সেই কথা ইমানদিনে তাই হৃদয়ংগম কৰিব পাৰিছে।

সেই যে প্ৰাংগনে উগ্ৰপন্থী সংগঠনত নাম ভৰ্তি কৰোৱাৰ কথা গম পাই দেউতাকে প্ৰচণ্ড খঙত গৰ্জি উঠিছিল। আৰু তাৰ পিছত মাকক গাত ধৰি জোকাৰি দিছিল, - মই - থিকেই গম পাইছিলো ই যে এনেকুৱা এটাই কৰিব 'এটা ল'ৰা বুলি আৰু অলপ মূৰত লৈ নাচি ফুৰা।' দেউতাকৰ ৰণচণ্ডী মূৰ্তি দেখি তাই সেইদিনা থৰ্ থৰ্‌কৈ কঁপিছিল।

জীৱনৰ বিশ্বস্ত বন্ধু বুলি যদি কাৰোবাক ভাবিব পাৰি তেন্তে তাইৰ বাবে সেয়া প্ৰাংগনৰ বাহিৰে আন কোনো নহয়। টাং গুটি খেলাৰ লগৰী, তাইতকৈ দুবছৰৰ ডাঙৰ প্ৰাংগনক তাই

যথেষ্ট মৰম, শ্ৰদ্ধা কৰে। সাধাৰণ দৃষ্টিৰে চালে ককায়েক-ভনীয়েকৰ এই মৰম সহজাত। কিন্তু প্লাবিতাৰ ক্ষেত্ৰত এই কথা অলপ সুকীয়া যেন ভাব হয়। প্ৰাংগনৰ প্ৰতি তাইৰ তীব্ৰ আকৰ্ষণৰ মূলতে তাৰ ব্যতিক্ৰমধৰ্মী চিন্তা-চৰ্চা, ৰুচিবোধ এইবোৰেই হয়তো হ'ব পাৰে। প্ৰাংগনে কয়, আনৰ কাৰণে কিবা এটা কৰিব পাৰিলে সাংঘাটিক এটা 'চেটিচ্ ফেকশ্বন' পোৱা যায়, ৰিমেম্বৰাৰ ইট।

কোনোবা এটা বন্ধৰ দুপৰীয়া। দোপাল পিটা বৰষুণজাকে সিহঁতৰ আগচোতাল পানীৰে ভৰাই পেলাইছিল। বৰষুণজাক চাই - থাকোতেই তাহানিৰ জীৱন্ত ছবিবোৰে তাইৰ সমুখত ক্ৰমান্বয়ে ভাঁহি উঠিছিল। বাহ্। বাহ্। দাদা চা, মোৰ নাওঁখন আটাইৰে আগত। আনন্দত জঁপিয়াই জঁপিয়াই তাই এপাকত পানীত পৰিবলৈ ধৰোতেই মনোজে তাইৰ হাতখনত থাপ মাৰি ধৰিছিল। বাওঁহাতখন নে সোঁহাতখন। এৰা বাওঁহাতখনেই হয়। প্লাবিতাই এতিয়াও অনুভৱ কৰে মনোজৰ হাতৰ সেই প্ৰথম স্পৰ্শটো। একো বুজিব পৰা নহওতেই তাই মনোজৰ প্ৰেমত পৰিছিল।

মনোজ প্ৰংগনৰ সহপাঠী। এদিন প্ৰাংগনেই মনোজক সিহঁতৰ ঘৰলৈ লৈ আনিছিল। আগলৈ নাই পিছলৈ নাই ঘৰখনত কেৱল দুটাই ল'ৰা-ছোৱালী। প্ৰাংগন আৰু প্লাবিতা। ভাল বেয়া যি কোনো কথাই সিহঁত দুটাই আলোচনা কৰে আৰু হয়তো সেই সুবিধাৰ বাবেই কম্ সময়ৰ ভিতৰতে প্লাবিতা মনোজৰ ভাল বন্ধু হৈ পৰিছিল। স্কুললৈ যোৱা, লেজাৰত বগৰীৰ তলত পিটপিটাই ফুৰা, লুকা ভাকু খেলালৈকে এটাই আনটোক লগ নেৰিছিল। সদায় চকুলৈ চাই - হাঁহি মাতি কথা ক'ব পৰা প্লাবিতাই এটা সময়ত মনোজৰ চকুলৈ চাব নোৱাৰা হ'ল। তাক দেখিলে লাজ লাজ অনুভৱ কৰা হ'ল। আৰু এদিন কোনেও গম নোপোৱাকৈ মন্দিৰৰ প্ৰকাণ্ড আঁহত জোপাত হালধীয়া কাপোৰ এখন বান্ধি দিলে, মনোজক একেবাৰে কাষত পোৱাৰ উদ্দেশ্যে। মনোজেই কৈছিল, আহঁত গছত এনেদৰে কাপোৰ বান্ধিলে বোলে মনৰ আশা পূৰণ হয়। আৰু ইয়াৰ পিছৰ পৰা মনোজ কেৱল তাইৰ বাবেই, অন্‌লি ফৰ প্লাবিতা। দিনবোৰ থিকে-থাকেই আগবাঢ়িছিল। মনোজে ডিষ্টিংশ্বন সহ বি.এ পাছ কৰিলে। প্ৰাংগনেও ইংৰাজীত অনাৰ্ছ লৈ বি. এ পাছ কৰিলে। তাৰ পিছত হঠাৎ এদিন দুয়োটা ঘৰৰ পৰা নোহোৱা হ'ল। তাৰ বহুদিনৰ পিছত এদিন সিহঁতে খবৰটো পালে। প্ৰাংগন আৰু মনোজ দুয়োটাই বিপ্লৱী সংগঠনৰ সদস্য হ'ল।

তাহানিৰে পৰা দি থকা বৰষুণজাক এতিয়া আগতকৈয়ো বেছি হৈছে। বৰ্ষণ মুখৰ পৰিবেশত তাই খুব শান্তি অনুভৱ কৰে। তাইৰ ভাললগা মুহুৰ্তবোৰৰ ভিতৰত বৰ্ষণমুখৰ পৰিৱেশটো অন্যতম। ঘৰত কোনো নথকাৰ সুযোগ লৈ তাই প্ৰায়ে বৰষুণত তিতি বুৰি বাহঁগছ জোপাৰ দৰে হালি জালি হৈছিল। কিন্তু আজিৰ এই পৰিৱেশটোৱে তাইৰ মনত অকনো আনন্দ দিব পৰা নাই। সন্ধিয়াৰ ইষৎ ৰঙচুৱা আকাশত তাই যেন অকলশৰীয়া এটি বিহংগ। নিসংগতাই মানুহক প্ৰেমৰ একেবাৰে কাষলৈ লৈ যায়। তাই আৰু মনোজৰ নীলা আবেলিৰ স্নিগ্ধ আলাপবোৰে হিয়াৰ একোনত মৃদু খলকনিৰ সৃষ্টি কৰিলে। কিমান দিন যে



হৈ গ'ল মনোজক লগ নোপোৱাকৈ থকা। তাই মনত পেলাবলৈ চেষ্টা কৰে। কেতিয়াবা দুদিনৰ মূৰত, কেতিয়াবা তিনিমাহৰ মূৰত আৰু কেতিয়াবা ছমাহৰ মূৰতহে সিহঁত লগালগি হয়। এনেকৈ ইমান এটা দীৰ্ঘ সময়। ওহো তাইৰ মনত নপৰে। যোৱা বাৰ মাঘৰ বিহুতে মনোজৰ সৈতে শেষ দেখাদেখি হৈছিল। কলংখনৰ কাষতে সিহঁতে মেজি ঘৰ সাজিছিল। ভোজ ভাত খাই সকলো ঘৰা ঘৰি যোৱাৰ পিছতো তাই বহু সময় মনোজৰ সৈতে পাৰ কৰিছিল। মনোজৰ ৰঙা নগা শ্বালখনৰ উমৰ মাজত তাই পৃথিৱীৰ স্বৰ্গীয় সুখ বিচাৰি পাইছিল। সুনীল আকাশ, শীতৰ ঠেৰেঙা পাহাৰটো, বৈ থকা নৈ খনৰ বাহিৰে কোনো নাছিল সিহঁতৰ কাষত।

প্লাবিতাই একো এটা ভাবি থিক কৰিব পৰা নাই। তাই দেখোন নিজেই কয়, তাই বোলে অভিনয় কৰিব নাজানে। চব কৰিব পাৰে তাই, মাত্ৰ অভিনয় নাজানে। এৰা, চব জানে তাই অংক, দৰ্শন, বুৰঞ্জী, বিজ্ঞান, মাথো নাজানে অভিনয়.....। মনোজক বাদ দি পাৰিব জানো তাই সুখী হ'ব। নিজৰ ওপৰতে দেখোন কনফিডেন্স নাই। একপক্ষীয় ভাৱে মনোজৰ হৈ আৰু কিমান যুঁজ কৰিব। প্ৰাংগন থকা হ'লেও!

কোনোবা এটা বহাগ বিহুৰ উৰুকাৰ নিশা আছিল। প্ৰাংগনৰ বন্ধু বিপ্লৱে সংগোপনে আহি প্ৰাংগন অহাৰ বাতৰিটো দিছিল। নিশাটো ক্ৰমান্বয়ে গহীন হৈছিল। ৱাল ঘড়ীটোৱে নটাৰ ঘন্টা কোৱালে। ধীৰ-গম্ভীৰ খোজেৰে দেউতাকে দীঘল বাৰান্দাখনত অহা যোৱা কৰিছে। অতিমাত্ৰা হাইপাৰটেনচনত ভোগা মাকে বিচনাত থাকিয়ে ইটো সিটো বনাবলৈ পৰামৰ্শ দি আছে। প্ৰাংগনৰ প্ৰিয় বস্তু ভাপত দিয়া পিঠাটো বনাই শেষ কৰোতেই কোনোবা এটা সোমাই আহিছিল।

তাই দুৱাৰ দলিত বিপ্লৱৰ বিষন্নমুখ দেখা পালে।

'ই দেখোন এতিয়াও আহি নাপালে, মোৰ বৰ চিন্তা লাগিছে।' মাকৰ আগত প্ৰাংগন অহাৰ আশ্বাস দিলেও ইংগিতেৰে তাইক পিছফালে মাতি লৈ গৈছিল। মনৰ উত্তেজনাক কোনোমতে চেপি ধৰি খুব শান্ত ভাবে বিপ্লৱে কৈ গৈছিল প্ৰাংগনৰ মৃত্যুৰ বাতৰি।

যোৱা নিশা বোকাজানত আৰক্ষীৰ সৈতে মুখামুখি সংঘৰ্ষত এৰিয়াৰ কমাণ্ডাৰ প্ৰাংগন ওৰফে জ্যোতিস্মানৰ মৃত্যু হৈছে। মাক ধুমুহাই কোবোৱা জাতি বাহঁ জোপাৰ দৰে কান্দোনত বাউলী হ'ল। দেউতাকৰ নীলাভ চকুযুৰি এথোপা সেন্দুৰে ৰাঙলী কৰিলে। প্ৰাংগনৰ মৃত্যুৰ চিৰন্তন সত্যটো স্বীকাৰ নকৰি উপাই নাই। তথাপি তাৰ সমগ্ৰ সত্বাটো যেন এতিয়াও তাইৰ চকুত জীৱন্ত হৈ ধৰা দিয়ে। তাইৰ কানত স্পষ্টকৈ বাজি উঠে, আনৰ কাৰণে কিবা অলপ কৰিব পাৰিলে তাত সাংঘাটিক এটা চেটিচ-ফেকশ্বন আছে। প্ৰাংগনৰ কথাষাৰৰ সত্যতা সম্পৰ্কে তাইৰ মনত অকনো খোকোজা নাই। প্লাবিতাই উপলব্ধি কৰিছে, একমাত্ৰ প্ৰাংগনৰ কথাষাৰেহে তাইৰ মনত লাগি থকা চিন্তাৰ আউল ডাল ছিঙিব পাৰিব।

তাই মনোজলৈ লিখিলে প্ৰাংগনৰ মৃত্যুৰ বতৰাই মোক বিচলিত কৰা নাই ইতিমধ্যে মই এক কঠোৰ সিদ্ধান্ত গ্ৰহণ কৰিছো, তুমি আহিলেই———। □



OKDISCD

# কুৰি শতিকাৰ চীনৰ বৃহৎ ছাত্ৰ আন্দোলন

❑ উজ্জ্বল জ্যোতি দাস

ৰুছ-ভাৰতবৰ্ষ, জাপান-থাইলেণ্ডৰে পৰিবেষ্টিত এখন গুৰুত্বপূৰ্ণ দেশ চীন। এক সুপ্ৰাচীন সভ্যতাৰ জন্মভূমি। য'ত ভু-পৃষ্ঠ গঠনৰ চতুৰ্থ পৰ্বত চীনত বসবাস কৰা মানুহৰ জঁকা পোৱা গৈছে। প্ৰায় সোতৰ-শ বছৰৰ আগত ইয়াতেই পোন প্ৰথম বাৰৰ বাবে কাগজ তৈয়াৰ হৈছিল, ব্লক ছপোৱা পদ্ধতি আৱিস্কৃত হৈছিল। যদিও মানৱ সভ্যতাৰ অনেক ঘটনা এই চীনতেই প্ৰথমে সংঘটিত হৈছিল একমাত্ৰ বহিঃবিশ্বৰ লগত সংযোগৰ অভাৱতেই চীনৰ (যাক মহাচীন - ৰঙাচীন বুলিও আখ্যা দিয়া হয়।) বহুতো গুৰুত্বপূৰ্ণ কথাই বহু পলমকৈহে মানৱ সমাজৰ দৃষ্টিগোচৰ হ'ল। অতীজৰে পৰা নিজৰ সভ্যতা-সংস্কৃতি লৈয়েই ব্যস্ত থকা এই চীনত একালত সংঘটিত ঘটনা প্ৰবাহৰ আধাৰতেই ৰচিত হৈছিল 'গ্ৰেট লিপ্ ফৰৱাৰ্ড' সুত্ৰৰে চীনৰ সমাজক আগবঢাই নিয়াৰ কাহিনী, গেং অব ফ'ৰৰ কাহিনী, টিয়ানানমেন স্কোয়াৰৰ কাহিনীৰ দৰে অনেক উল্লেখযোগ্য ঐতিহ্যবহনকাৰী যুগজয়ী কাহিনীৰ। কুৰি শতিকাৰ প্ৰথম চাৰে তিনিটা দশকত চীনৰ জনসাধাৰণে বিশ্বৰ প্ৰবল পৰাক্ৰমী শক্তি সমূহৰ সম্মিলিত আক্ৰমণৰ বিৰুদ্ধে সাহসিকতাৰে যুঁজ দি যি ধৈৰ্য্য, দৃঢ় মনোবলৰ পৰিচয় দাঙি ধৰিছিল, সি আজিও প্ৰসংশনীয়। এই প্ৰসংগতে ইয়াকো উল্লেখ কৰি থোৱা ভাল হ'ব নিজ দেশৰ শাসনকৰ্তা আৰু সমৰ নায়ক সকলৰ সংকীৰ্ণ স্বাৰ্থ চিন্তাইহে চীনৰ জনসাধাৰণক বহুক্ষেত্ৰতে চৰম বিপৰ্য্যয়ৰ মুখলৈ ঠেলি দিছিল। চীনৰ সামাজিক আৰু ৰাজনৈতিক ব্যৱস্থাৰ বিৰুদ্ধে অতীজৰে পৰা যুঁজ দিয়াত অভ্যস্ত হৈ পৰা এই চীনা জনসাধাৰণেই প্ৰাপ্য অধীকাৰৰ দাবীত এদিন সুচনা কৰিছিল - ১৯৮৯ চনৰ মে' মাহত সংঘটিত ছাত্ৰ আন্দোলনৰ দৰে দেশৰ বৃহৎ ছাত্ৰ আন্দোলনৰ। এই আন্দোলনৰ গুৰি ধৰিছিল বিশ্ববিদ্যালয়ত অধ্যায়নৰত এচাম ক্ষুদ্ধ ছাত্ৰই। কুৰি শতিকাৰ আশীৰ দশকত যি কেইটা ঘটনাই বিশ্ববাসীৰ দৃষ্টি আকৰ্ষণ কৰিছিল তাৰ ভিতৰত চীনৰ এই ছাত্ৰ আন্দোলনো আছিল এটা।

১৯৮৯ চনৰ মে মাহত সংঘটিত এই ছাত্ৰ আন্দোলনৰ সুচনা ১৯৮৬ চনতেই হৈছিল। মানৱীয় অধিকাৰ আৰু উদাৰ গণতান্ত্ৰিক প্ৰশ্নই এই বিপ্লৱত এক সুকীয়া তাৎপৰ্য্য আনি দিছিল। ১৯৮৬ চনৰ ডিচেম্বৰ মাহত সংঘটিত ছাত্ৰ বিক্ষোভেই কালক্ৰমত গুৰুতৰ ৰূপ ধাৰণ কৰি পৃথিৱীৰ এটা বৃহৎ ছাত্ৰ আন্দোলন হিচাপে পৰিগণিত হয়। ১৯৮৯ চনত সংঘটিত চীনৰ এই ছাত্ৰ আন্দোলনৰ প্ৰথমটো দাবী আছিল বৰ্ধিত মাচুল কমোৱা আৰু ছাত্ৰাবাসৰ পৰিৱেশ ব্যৱস্থাৱলী উন্নীতকৰা। পিছলৈ পাশ্চাত্য ৰীতিৰহ গনতান্ত্ৰিক দাবীৰ লগতে মানৱীয় অধিকাৰ, সাংবাদিকৰ





স্বাধীনতা আদিকো সাঙুৰি ললে। আশ্বৰ্য্যজনক বিষয় এয়ে - এই বৃহৎ ছাত্ৰ বিক্ষোভৰ সঠিক কাৰণ আজি পৰ্য্যন্ত কোনেও দিব নোৱাৰিলে। খোদ্ উৰেৰ কাইশি, ৱাং ডান চাইলিংৰ দৰে এই ছাত্ৰ আন্দোলনৰ গুৰি ধৰোতা সকলৰ মন্তব্যতো সামঞ্জস্যহীনতা প্ৰকট ৰূপত ধৰা দিছে। এক শ্ৰেণীয়ে "অদৃশ্য কাৰোবাৰ বাঁহীৰ সুৰতহে নচা" বুলি ছাত্ৰ সমাজৰ আন্দোলটোক উপলুঙা কৰিছিল। অৱশ্যে, চীনৰ প্ৰধানমন্ত্ৰী লি পেঙৰ মুখতো একেই সুৰ শুনিবলৈ পোৱা যায়।

অনুমান কৰা মতে, বিদ্যাৰ্থী সকলৰ ৰোষৰ ঘাই কাৰণ আছিল চৰকাৰী বিষয়া সকলৰ মাজত ক্ৰমে বৃদ্ধি পাই তহা দুৰ্নীতি, মুদ্ৰাস্ফীতি আৰু কলেজ ইউনিভাৰচিটিত শিক্ষাদানৰ শোচনীয় পৰিৱেশ। অধ্যাপকে দৰমহাৰ বাবদ যি কেইটা টকা পাই তাৰে মাহটোৰেই চলা টান হৈ পৰে। গাহৰি গৰাঁলৰ দৰে এটা সৰু কোঠাত পাঁচ - ছয় জন বিদ্যাৰ্থী থাকিব লগা হয়। এইবোৰেই আছিল বিদ্যাৰ্থী সকলৰ মূল অভিযোগ। বিক্ষোভকাৰীৰ ওপৰত চলোৱা নিৰ্যাতনৰ খবৰ চীনৰ কাকতে ছপোৱাত কৃপনালি কৰা বুলিও একাংশ ছাত্ৰই আক্ষেপ ব্যক্ত কৰিছে। 'ভয়চ অব্ আমেৰিকা' ইহে তেওঁলোকতৰ খবৰ হেনো দিবলগীয়া হৈছে।

"আমাক আমেৰিকাৰ দৰে গণতন্ত্ৰ নালাগে; আমাৰ জনসাধাৰণৰ জীৱন নিৰ্বাহৰ মান এতিয়াও ইমান উন্নত নহয়, কিন্তু আমি চৰকাৰক আমাৰ কথা শুনাবলৈ বাধ্য কৰাব পাৰিব লাগিব" - বিক্ষোভ প্ৰদৰ্শনত ভাগলোৱা এগৰাকী শ্ৰমিকৰ মুখত এইযাৰ কথা শুনিবলৈ পোৱা গৈছিল।

স্বীকাৰ নকৰি উপায় নাই যে, প্ৰথমাৱস্থাত চৰকাৰেও শিক্ষাৰ্থী সকলৰ দাবীবোৰ যুক্তিযুক্ত বুলি বিবেচনা কৰি সেইবোৰৰ পূৰণৰ বাবে চিন্তাচৰ্চাও আৰম্ভ কৰিছিল। বিশেষকৈ, অধিকতৰ গণতন্ত্ৰ, বাক স্বাধীনতা, শিক্ষাৰ দুৰৱস্থাৰ কথা চৰকাৰেও গুৰুত্ব সহকাৰে লৈছিল। কিন্তু পিছলৈ কেতবোৰ অশুভ শক্তিৰ পুতলা স্বৰূপ হৈ পৰাত চৰকাৰে লাহে লাহে এটা উপযুক্ত ব্যৱস্থা লোৱাৰ ওপৰতহে অধিক গুৰুত্ব আৰোপ কৰিলে। অভিযোগ উঠা মতে - দেশখনৰ সামৰিক

বাহিনীয়ে অৰ্থাৎ পি. এল. এ (পিপলচ্ লিবাৰেচন আৰ্মি) য়ে একো নকৰা স্বত্বেও বিক্ষোভকাৰী সকলে বিভিন্ন সময়ত সামৰিক বাহিনীক প্ৰথমতে জোকাই লৈছিল। বহু সময়ত সামৰিক বাহিনীৰ সংযমেই বাহিনীটোৰ প্ৰভুত ক্ষতি সাধন কৰিলে।

যি কি নহওক, যদিও দেশৰ জনদিয়েক বুদ্ধিজীৱি শ্ৰমিক প্ৰতিনিধিয়েও এই ছাত্ৰ আন্দোলনত প্ৰথমাৱস্থাৰে পৰা জড়িত থকাৰ কথা জনা যায়, চীনৰ সকলো ছাত্ৰ বুদ্ধিজীৱি এই ছাত্ৰ আন্দোলনক সমৰ্থন কৰাৰ পৰা লক্ষণীয় ভাব বিৰত আছিল। হুৱেন জিয়াংছুৰ দৰে অধিক ছাত্ৰ-ছাত্ৰীৰ বাসভুমিত এই আন্দোলনৰ কোনো প্ৰভাৱেই দৃষ্টিগোচৰ নহ'ল। পেইচ্চিং, নানজিং চাংহাইৰ দৰে কেইখনমান অনগ্ৰসৰ ঠাইতহে এই ছাত্ৰ আন্দোলনৰ প্ৰভাৱ দেখা গৈছিল। বিতৰ্কত লেখক লিউ শিয়াওবোৰ লগত মাত্ৰ তিনি নে চাৰি গৰাকী বুদ্ধিজীৱিয়েহে ছাত্ৰৰ অনশনত ভাগ লৈছিল। ছাত্ৰনেতা ৱাংদানে চীনৰ বুদ্ধিজীৱি সকলে এই ছাত্ৰ আন্দোলনক সমৰ্থন দিবলৈ আগবাঢ়ি নহা বুলিয়েই আক্ষেপ কৰিছিল।

**পুনশ্চ ঃ** ন্যায়সংগত দাবীৰ ভিত্তিতে গঢ়ি উঠা চীনৰ ছাত্ৰ আন্দোলনটোৰ পাছত মাৰ্কিন সাম্ৰাজ্যবাদৰ অদৃশ্য হাত আছে বুলি এক সচেতন পৰ্যবেক্ষক মহলে ক'ব বিচাৰে। ইয়াৰ অৱশ্যে যুক্তিযুক্ততাও নথকা নহয়। চীনৰ ছাত্ৰ আন্দোলনৰ আগলৈকে ছোভিয়েট ৰুচিয়াৰো পতন ঘটা নাছিল আৰু পৃথিৱীৰ দুই বিশ্ব শিবিৰ পুঁজিবাদ আৰু সমাজবাদৰ মাজৰ দ্বন্দ্ব তেতিয়াও চলি আছিল। সমাজবাদী শিবিৰক দূৰ্বল কৰিবলৈ মাৰ্কিন শক্তি, CIA আদিয়ে তেতিয়াও অহোৰাত্ৰ চেষ্টা কৰি আছিল।

চীনৰ বহু সংখ্যক ছাত্ৰই আমেৰিকাত পঢ়ি থকা অৱস্থাৰ CIA ৰ পৰা ধৰি মাৰ্কিন শক্তিবোৰে আমেৰিকাৰ মুক্ত গণতন্ত্ৰৰ সোৱাদ জিভাত লগাকৈ দিবলৈ সকলো প্ৰকাৰে চেষ্টা কৰিছিল। যাতে সমাজবাদী চীনতো মুক্ত গণতন্ত্ৰ , অবাধ গণতন্ত্ৰৰ দাবীত ঘৰলৈ উভতা চীনা ছাত্ৰ সকলে সোচ্চাৰে দাবী উত্থাপন কৰিব পাৰে। কাৰ্যতঃ তেনেই হ'ল। যাৰ বাবে চীনা বুদ্ধিজীৱি, কাকতপত্ৰই এই ছাত্ৰ আন্দোলনৰ ন্যাৰ্য্যতাৰ মাজত থকা লোমশ হাতোৰাখন (সাম্ৰাজ্ৰবাদৰ) দেখা পালে আৰু তেওঁলোকে সমৰ্থন দিয়াৰ পৰা বিৰত থাকিল। যাৰ ফলত Voice of America ই হে এই বাতৰি সযোৱে প্ৰকাশ কৰিব লগা হৈছিল।

চীনৰ সমাজবাদেও আজি অন্য ৰূপ লৈছে। এক দেশ দুই নীতিৰ আধাৰত চীনৰ সমাজবাদৰ ভৱিষ্যত পুৰ্বানুমান কৰা টান। হ'লেও স্বাধীন চীনৰ ছাত্ৰ আন্দোলটোৱে যদি পুঁজিবাদৰ আগমনকে কামনা কৰিছিল (মুক্ত অথবা অবাধ গণতন্ত্ৰৰ বাবে পুঁজিবাদী সমাজ ব্যৱস্থা অপৰিহাৰ্য্য) তেনেহলে সেই ছাত্ৰ আন্দোলনে আমালৈ কোনো আশাৰে বতৰা কঢ়িয়াই আনিব নোৱাৰে। ❒

*'মহাচীনৰ দিনলিপি' আৰু 'চীনৰ বৃহৎ ছাত্ৰ আন্দোলন' গ্ৰন্থৰ সহায়ত্তৈ – লেখক*




প্ৰাসংগিক

# অসমৰ সাম্প্ৰতিক যুৱ সমাজ আৰু ভৱিষ্যৎ

❒ অজিত বৰা

গণতান্ত্ৰিক ৰাষ্ট্ৰ এখনৰ নামত ৫০ বছৰ শাসিত হৈ অহা অসমৰ জনগণ আজি বহু ভাগত বিভক্ত হৈ পৰিছে। জাতিসত্বা, জনগোষ্ঠী ভিত্তিক বিচিন্নতাৰ উপৰিও বৃত্তি ব্যৱসায় ভিত্তিক বিভাজন মন কৰিব লগীয়া। এইটো যে শাসক শ্ৰেণীৰে সড়যন্ত্ৰৰ অনিবাৰ্য্য ফল তাক অসমৰ সৰ্বসাধাৰণ জনগণেও বুজি নপোৱাকৈ থকা নাই, যিয়ে জনগনৰ সন্মুখত দেখা দিয়া এশ এবুৰি সমস্যাৰ মকাবিলা



কৰাৰ ক্ষেত্ৰত প্ৰচণ্ড হেঙাৰ ঠিয় কৰাইছে। এনে পৰিস্থিতিত যুৱ সমাজৰ ভৱিষ্যত মঙ্গলৰ বাবে তেওঁলোকৰ বৰ্ত্তমান স্থিতি পৰ্য্যালোচনা কৰি চোৱাতো আৰু কৰ্ম নিৰ্দেশনা থকাটো আমি প্ৰয়োজন বুলি ভাৱো।

অসমৰ যুৱ সমাজখন বৃত্তিগত দিশৰ পৰা বিভিন্ন গোটত বিভক্ত হৈ ৰৈছে। অধ্যয়নৰত যুৱছাত্ৰ, যুৱব্যৱসায়ী, উৎপাদনী ক্ষেত্ৰত জড়িত যুৱ সমাজ, চাকৰিজীৱি যুৱ সমাজ সংস্থান হীন যুৱ সমাজ ইত্যাদি। এই সকলোৱে নিজ নিজ ক্ষেত্ৰত নিষ্ঠাৰে কৰ্তব্য পালন কৰাৰ উপৰিও সাম্প্ৰতিক অসমৰ পৰিস্থিতিৰ প্ৰতি লক্ষ্য ৰাখি কৰিবলগীয়া বহু কাম কৰি আছে। তেওঁলোকে জনগণৰ দুৰৱস্থাৰ



OKDISCD

সঠিক কাৰণ বিশ্লেষণ পৰি সচেতনতা গঢ়ি তুলিব পাৰে। কাৰণ জনগণ জাগ্ৰত নোহোৱা পৰ্য্যন্ত অধিকাৰ প্ৰতিষ্ঠাৰ সংগ্ৰাম সফল হব নোৱাৰে। জনগণ সচেতন নহোৱা পৰ্য্যন্ত একেখিনি কথাকে বাৰে বাৰে উত্থাপন কৰি থাকিব লাগিব। এটা সময়ত যেতিয়া তেওঁলোক সচেতন হৈ পৰিব তেতিয়াই দেখিব অধিকাৰ প্ৰতিষ্ঠাৰ পথ প্ৰশস্ত হৈছে।

এখন দেশৰ ভৱিষ্যত গঢ়াৰ ক্ষেত্ৰত যুৱ সমাজৰ গভীৰ দায়িত্ব আছে। সেই দায়িত্ব পালন কৰিব লাগিলে যুৱ চামে সমাজ তথা দেশ এখনৰ আমূল পৰিৱৰ্ত্তন আনিব পৰা বিপ্লৱী তত্ব আয়ত্ব কৰি তাক জনগণৰ মাজলৈকে কঢ়িয়াই নিব লাগিব। তাকে কৰাত ব্যৰ্থ হলে সময় সাপেক্ষ দায়িত্ব পালনত ব্যৰ্থ যুৱ সমাজ উত্তৰ পুৰুষৰ ওচৰত জগৰীয়া হব।

"শেষ বিচাৰত বিপ্লৱী বুদ্ধিজীৱি আৰু অতি বিপ্লৱী বুদ্ধিজীৱি অথবা প্ৰতিবিপ্লৱী বুদ্ধিজীৱিৰ মাজত সীমা ৰেখা ডাল হ'ল তেওঁলোকে শ্ৰমিক কৃষকৰ সৈতে একাত্ম হব খোজে নে নোখোজে বাস্তৱত তাক কৰে নে নকৰে" - মাও

শ্ৰমিক কৃষকৰ বৃহত্তৰ জনগনৰ লগত একাত্ম হ'ব খোজাৰ বাস্তৱত তাকে কৰা জনকহে মাও-চে-তুঙে বিপ্লৱী বুলি স্বীকৃতি দিছে।

অসম খনক সুন্দৰকৈ সজাই পৰাই গঢ়িব খোজা নতুন পুৰুষচামে আজিৰ পৰিস্থিতিত হাত সাবতি বহি থাকিব নিশ্চয় নোৱাৰে। সংগ্ৰাম কৰি কৰি ভাগৰি পৰা জনগণৰ দেহ মনলৈ উদ্যম ঘুৰাই আনিব পাৰিব যুৱ সমাজেহে। ৰাষ্ট্ৰযন্ত্ৰৰ নৃশংসতাৰ ফলত আত্মবিশ্বাস হেৰুৱাই পেলোৱা শ্ৰম জীৱি মানুহৰ আত্ম বিশ্বাস জগাই তুলিব পাৰিব যুৱ সমাজে। এই বৃহত্তৰ জনগণক জাগ্ৰত কৰাৰ ভাৰ যুৱ সমাজৰ ওপৰত আহি পৰিছে। মুষ্টিমেয় যুৱ বুদ্ধিজীৱি অথবা বিপ্লৱী যুৱকৰ একক প্ৰচেষ্টাত দেশ এখনক সৰ্বাংগ সুন্দৰ ৰূপত গঢ়া সম্ভৱ নহব।

জনগণ বোলোতে আমি নিশ্চয় বুজি পাইছো যে, কৃষক, শ্ৰমিক, চাকৰিজীৱি, বুদ্ধিজীৱি আদি সকলো শ্ৰম জীৱি মানুহৰ কথাকে বুজোৱা হৈছে। এই সকলো শ্ৰেণীৰ লোকে আজি এনে অৰ্থনৈতিক, ৰাজনৈতিক আৰু সামাজিক-সাংস্কৃতিক সংকটৰ কবলত পৰিছে যে, মানুহ হিচাবে দায় দায়িত্ব পালন কৰা দূৰৰ কথা ব্যক্তি হিচাবে জীয়াই থকাও টান হৈ পৰিছে। কৃষকৰ উৎপাদন নাই, শ্ৰমিকৰ মজুৰি নাই, চাকৰিজীৱিৰ বেতন নাই, ব্যৱসায়ীৰ বিক্ৰী নাই, বুদ্ধিজীৱিৰ আদৰ নাই, যুৱ সমাজৰ সংস্থাপন নাই তাতোকৈ অসমত আজি কোনো ব্যক্তিৰে জীৱনৰ নিৰাপত্তা নাই। জীয়াই থকাৰ নূণ্যতম অধিকাৰ খিনি প্ৰতিষ্ঠা কৰিবৰ বাবে বৃত্তি ভিত্তিক যিবোৰ অনুষ্ঠান, সংগঠন আছে, উমৈহতীয়া কৰ্মসূচীৰ ভিত্তিত সেইবোৰ সংগঠিত হোৱাৰো কোনো পথ খোলা নাই।

অসমৰ প্ৰচাৰ মাধ্যম একেবাৰে দূৰ্বল বুলি আমি ভাবিব নোৱাৰো। তৎসত্বেও আমি দেখিছো যে এই মাধ্যমৰ পৰা সৰ্বসাধাৰণ ৰাইজৰ গৰিষ্ঠ অংশই উপকৃত হব পৰা নাই। তেনে সুবিধাৰ পৰা বঞ্চিত জনগনক শিক্ষিত কৰাৰ ভাৰ যুৱ সমাজে লবই লাগিব। তাকে কৰিবলৈ তেওঁলোক জনগণৰ মাজলৈ যাব লাগিব। আজি আমি যি পৰিস্থিতিৰ মুখামুখি হৈছো, তেনে পৰিস্থিতিৰ অৱসান ঘটাবই লাগিব, তেনে ভূমিকা পালন কৰিব পৰা জনৰ লগতে আমি ঐক্য মতত উপনীত হৈ কৰ্তব্যত অগ্ৰসৰ হব পাৰো। ❒





# মূল্যবৃদ্ধি আৰু ইয়াৰ প্ৰভাৱ

❒ উদিত ৰাভা



অসমৰ অৰ্থনীতিক বছৰৰ পিছত বছৰ ধৰি জুৰুলা কৰি অহা বানপানী সমস্যাৰ পিছতে সম্প্ৰতি অস্বাভাবিকভাৱে বাঢ়ি অহা খাদ্য-সামগ্ৰীৰ মূল্যবৃদ্ধিৰ সমস্যাই অসম তথা অসমবাসী জনসাধাৰণৰ আন এক প্ৰধান সমস্যা হিচাপে পৰিগণিত হৈছে। যোৱা কিছুদিনৰ পৰা নিত্য ব্যৱহাৰ্য্য সামগ্ৰীৰ অভূতপূৰ্ব মূল্যবৃদ্ধিয়ে গ্ৰাম্যাঞ্চলৰ ৰাইজক জীয়াই থকাই প্ৰায় অসম্ভৱ কৰি তোলা পৰিলক্ষিত হৈছে। এই অস্বাভাৱিক মূল্য বৃদ্ধি ৰোধৰ বাবে তথাকথিত 'ৰাইজৰ' চৰকাৰে কোনোধৰণৰ বাস্তৱসন্মত পদক্ষেপ গ্ৰহণ নকৰাত ৰাইজৰ বাবে আশ্চাৰ্য্যৰ বিষয় হৈ পৰিছে। বানপানী সমস্যাৰ দৰে দিনক দিনে বাঢ়ি অহা অবাধ মূল্যবৃদ্ধিয়ে কেনেদৰে জনসাধাৰণৰ জীৱনযাত্ৰা দুৰ্বিসহ কৰি তুলিছে তাক বহলাই কোৱা নিষ্প্ৰয়োজন। জীয়াই থকাৰ তাড়ণাত এমুঠি অন্ন, বস্ত্ৰ আৰু বাসস্থানৰ বাবে কোনো কোনো পিতৃ মাতৃয়ে নিজৰ সন্তানক পোহপাল দিব নোৱাৰি বিক্ৰী কৰিব লগা হৈছে এইখন অসমতে।

**মূল্যবৃদ্ধি কিয় হয়?** অসমৰ দৰে এখন অনুন্নত ৰাজ্যত অস্বাভাৱিক মূল্যবৃদ্ধিৰ ফলত ৰাজ্যখনৰ উন্নতি স্থবিৰ হৈ পৰাটো একো ডাঙৰ কথা নহয়। এটা কথা উল্লেখ কৰিব লাগিব যে বানপানী সমস্যাৰ দৰে মূল্যবৃদ্ধিৰ সমস্যাও সৰ্ব সাধাৰণ কৃষক ৰাইজৰহে, ধনী, পুঁজিপতি সকলৰ নহয়। মূল্যবৃদ্ধিৰ ফলত আটাইতকৈ বেছি জুৰুলা হয় গ্ৰাম্যাঞ্চলৰ সৰ্বসাধাৰণ ৰাইজ। সেয়ে পুঁজিপতি গোষ্ঠীয়ে নানা চল-চাতুৰীৰে খাদ্য-সামগ্ৰীৰ মূল্যবৃদ্ধি ঘটাই সাধাৰণ ৰাইজক শোষণ কৰাৰ পথ প্ৰশস্ত কৰি ৰাখে। মূল্যবৃদ্ধিৰ কাৰণবোৰ বিশ্লেষণ কৰিলে আমি নিম্নলিখিত কাৰণবোৰলৈ চকু ফুৰাব পাৰো।

**(১) কৃত্ৰিম নাটনি ঃ** এচাম স্বাৰ্থান্বেষী অসাধু ব্যৱসায়ীয়ে অধিক মুনাফা আদায় কৰিবলৈ দৈনন্দিন ব্যৱহাৰ্য্য খাদ্য-সামগ্ৰীৰ কৃত্ৰিম নাটনি সৃষ্টি কৰাৰ ফলত মূল্যবৃদ্ধি হয়। এই ক্ষেত্ৰত স্বাৰ্থান্বেষী ৰাজনৈতিক নেতা, কলা বেপাৰীৰ ভূমিকাও সন্দেহৰ উৰ্ধ্বত নহয়। দূষিত খোৱাতেল বন্ধ কৰাৰ নামত খোৱাতেলৰ কৃত্ৰিম নাটনিৰ সৃষ্টি হৈছে আৰু সৰ্বসাধাৰণ ৰাইজে তাৰ প্ৰতিফল ভোগ কৰিব লগীয়া হৈছে। অসমত বৰ্তমান দৈনন্দিন ব্যৱহাৰ্য খাদ্য-সামগ্ৰীৰ যি কৃত্ৰিম

নাটনিৰ সৃষ্টি হৈছে তাক যদি গুৰুত্ব সহকাৰে বিবেচনা কৰি চোৱা হয় তেতিয়া দেখিব যে ৰাজ্যত আলু, পিয়াজ, মিঠাতেল, নিমখ আদি নিত্য ব্যৱহাৰ্য সামগ্ৰীৰ মজুত নথকা নহয়। কিন্তু লাভখোৰ অসাধু ব্যৱসায়ীয়ে স্বাৰ্থান্বেষী ৰাজনৈতিক নেতাৰ লগত মিতিৰালি কৰি খাদ্য-সামগ্ৰীৰ কৃত্ৰিম নাটনিৰ সৃষ্টি কৰে আৰু তাৰ ফলত নিত্য- ব্যৱহাৰ্য্য সামগ্ৰীৰ জুই-ছাই দাম হৈছে। ইয়াৰোপৰি অসমত প্ৰতিবছৰে হোৱা বানপানী, নানা প্ৰাকৃতিক দুৰ্যোগ, সঘনাই হৈ থকা 'অসম বন্ধ', নানা ধৰণৰ হিংসাত্মক কাৰ্য-কলাপ আদিৰ ফলতো খাদ্য সামগ্ৰীৰ যোগানত ব্যাঘাত জন্মিছে আৰু ফলস্বৰূপে মূল্যবৃদ্ধি হৈছে বুলি ক'ব পাৰি।

**(২) থলুৱা উৎপাদনৰ অভাৱ ঃ**- আমাৰ দৈনন্দিন ব্যৱহাৰ্য অলু, পিয়াজ আদি খাদ্য-সামগ্ৰীবোৰ যদি আমাৰ ৰাজ্যতেই পৰ্য্যাপ্তভাৱে উৎপাদন হ'লহেতেন তেতিয়া বৰ্তমান সময়ত দেখা দিয়া কৃত্ৰিম নাটনিৰ সৃষ্টি নহ'লহেতেন আৰু খাদ্য সামগ্ৰীৰ দামো নিশ্চয় ইমান বৃদ্ধি নহ'লহেতেন। আমাৰ নিত্য ব্যৱহাৰ্য খাদ্য-সামগ্ৰীবোৰ আমাৰ ৰাজ্যত পৰ্য্যাপ্ত পৰিমাণৰ উৎপাদন নোহোৱাত আন ৰাজ্যৰ পৰা আমদানী কৰিব লগা হৈছে আৰু তাৰ ফলত দিনকদিনে খাদ্য-সামগ্ৰীৰ দাম বাঢ়ি গৈ আছে।

**(৩) চৰকাৰৰ ভূমিকা ঃ**- খাদ্য-সামগ্ৰীৰ মূল্যবৃদ্ধি ৰোধ কৰিবলৈ শাসনাধিস্থ চৰকাৰে যেনে ধৰণৰ ভূমিকা পালন কৰিব লাগিছিল তেনেদৰে নকৰাত আজি অভাৱনীয়ভাৱে মূল্যবৃদ্ধি হৈছে বুলি ক'ব পাৰি। ৰাজ্য চৰকাৰে খাদ্য-সামগ্ৰীৰ মূল্য ৰেখা নিয়ন্ত্ৰণ কৰাৰ ক্ষেত্ৰত কোনো ধৰণৰ বাস্তৱসন্মত কাৰ্যকৰী পদক্ষেপ গ্ৰহণ কৰা নাই আৰু খাদ্য-সামগ্ৰীৰ অধিক মজুতকৰণ প্ৰক্ৰিয়াত অসাধু ব্যৱসায়ী গোষ্ঠীক বাধা দিয়াত ৰাজ্য চৰকাৰ ব্যৰ্থ হৈছে।

**মূল্যবৃদ্ধিৰ ফল ঃ**- বৰ্তমান সময়ত অস্বাভাৱিকভাৱে বাঢ়ি অহা মূল্যবৃদ্ধিয়ে আমাৰ সমাজৰ কিছুমান চাৰিত্ৰিক দিশৰ স্খলন ঘটাইছে। পেটৰ তাড়ণাত, জীয়াই থকাৰ তাড়ণাত বহু যুৱক-যুৱতী আজি বিপথে যোৱা পৰিলক্ষিত হৈছে। বৰ্তমান সময়ত সমাজত বাঢ়ি অহা চুৰি-ডকাইতি, লুটপাত আদি তাৰেই প্ৰতিফলন বুলি ক'ব পাৰি। গ্ৰাম্যঞ্চলৰ দুখীয়া দিনমজুৰি কৰি পেট প্ৰবৰ্তুৱা মানুহ খিনিৰ লগতে দুখীয়া খাতি খোৱা মানুহ খিনিৰ বিশেষকৈ জীৱন ধাৰণ কৰাতো বৰ কষ্টকৰ হৈ পৰিছে। এদিনৰ মজুৰীৰে বৰ্তমান বজাৰখনত এসাজৰ জোখাৰে ভালদৰে বজাৰ কৰিবলৈ নোযোৱে।

আমাৰ জীয়াই থকাৰ টোপনি কাঢ়ি নিয়া মূল্যবৃদ্ধি ৰোধ কৰিবলৈ সমাজৰ প্ৰতিজন নাগৰিকে সাহসেৰে আগবাঢ়ি আহিব লাগিব। অসাধু ব্যৱসায়ীৰ স'তে মিতিৰালি পাতি খাদ্য-সামগ্ৰীৰ মূল্যবৃদ্ধি ঘটাই আমাৰ ৰং চোৱা স্বাৰ্থান্বেষী ৰাজনৈতিক নেতা, দালালৰ বিৰুদ্ধে ৰাইজে ঐক্যবদ্ধভাৱে থিয় হৈ মূল্যবৃদ্ধি ৰোধ কৰিবলৈ বাধ্য কৰাব লাগিব। এচাম লাভান্বেষী ব্যৱসায়ীয়েও যাতে খাদ্য-সামগ্ৰীৰ কৃত্ৰিম নাটনিৰ সৃষ্টি কৰি মূল্যবৃদ্ধি ঘটাব নোৱাৰে তাৰ বাবেও ৰাইজে চকু দিব লাগিব। খাদ্য-সামগ্ৰীৰ নিৰ্দিষ্ট মূল্যৰ ওপৰত যাতে বিক্ৰী কৰিব নোৱাৰে তাৰ বাবে গণ সচেতনতা গঢ়ি তুলিব লাগিব। নিত্য ব্যৱহাৰ্য খাদ্য-সামগ্ৰীবোৰ নিজৰ ঘৰতেই উৎপাদনৰ ব্যৱস্থা কৰিব লাগিব। অসমৰ প্ৰতিজন নাগৰিকৰ ঐকান্তিক গণতান্ত্ৰিক গণ সংগ্ৰামৰ মাজেৰেই মূল্যবৃদ্ধি ৰোধ কৰিব লাগিব। নহ'লে মূল্যবৃদ্ধিৰ সমস্যাই আমাক আৰু অধিক জুৰুলা কৰিব। ❐





## আছুৰ অনশন

বানপানী সমস্যাৰ স্থায়ী সমাধান, জৰাজীৰ্ণ বাট-পথৰ মেৰামতি, গুপ্তঘাতকৰ হত্যা বন্ধ কৰা আদি গুৰুত্বপূৰ্ণ দাবীৰ সমৰ্থনত সদৌ অসম ছাত্ৰ সন্থাই ২৬ নৱেম্বৰ পুৱা ৮ বজাৰ পৰা ২৭ নৱেম্বৰৰ ২ বজালৈ ৩০ ঘন্টীয়া অনশন কাৰ্য্যসূচী ৰূপায়ণ কৰে।

## দিল্লীত গণ বিক্ষোভ, ভাগ লব আবছুৰে

অহা ১ ডিচেম্বৰত দিল্লীৰ সংসদ ভৱনৰ সন্মুখত অতিশীঘ্ৰে সুকীয়া বড়োলেণ্ড, গোৰ্খালেণ্ড আৰু ঝাৰখণ্ড ৰাজ্য গঠনৰ দাবীত নেচনেল ষ্টুডেন্টছ এণ্ড যুথ ফ'ৰাম ফ'ৰ স্মলাৰ ষ্টেটছে এক গণ বিক্ষোভৰ কাৰ্যসূচীৰ ৰূপায়ন কৰিব। উক্ত কাৰ্যসূচীটি আবছু আৰু বড়ো পিপ'লছ একচন সমিটিয়ে পূৰ্ণ সমৰ্থন আগবঢ়াইছে। আবছুৰ সভাপতি উৰ্খাও গৌৰা ব্ৰহ্মাই এক বিবৃতিযোগে এই কথা প্ৰকাশ কৰিছে।

ইফালে সদৌ অসম আদিবাসী ছাত্ৰ সন্থা (আছা) ই পৃথক বড়ো ৰাজ্য গঠনৰ সম্পৰ্কত তীব্ৰ প্ৰতিক্ৰিয়া প্ৰকাশ কৰি যিকোনো পৰিস্থিতিতে এনে প্ৰয়াসৰ বিৰুদ্ধে প্ৰবল আন্দোলন কৰা হ'ব বুলি সকীয়াই দিছে।

## ঐক্যবদ্ধ সংগ্ৰামৰ সিদ্ধান্ত

অসমৰ খিলঞ্জীয়া জাতি জনগোষ্ঠী সমূহৰ স্বাৰ্থৰক্ষা আৰু মহন্ত চৰকাৰৰ জাতিধ্বংসী কাৰ্যকালাপৰ বিৰুদ্ধে ৰাজ্যজুৰি এক ঐক্যবদ্ধ সংগ্ৰাম গঢ়ি তুলিবলৈ অসমৰ ভালেসংখ্যক অৰাজনৈতিক সংগঠনে ১৮ নবেম্বৰত গুৱাহাটীত সদৌ অসম কৰ্মচাৰী পৰিষদৰ উদ্যোগত অনুস্থিত এক মিলিত সভাই ঐক্যবদ্ধ সংগ্ৰাম গঢ়ি তুলিবলৈ সৰ্বসন্মত সিদ্ধান্তত উপনীত হয়। এই সভাত সদৌ অসম ছাত্ৰ সন্থা, অসম জাতীয়তাবাদী যুৱ ছাত্ৰ পৰিষদ, সদৌ অসম কৰ্মচাৰী পৰিষদ, সদৌ তাই আহোম ছাত্ৰ সন্থা, সদৌ অসম কেন্দ্ৰীয়-অৰ্থ কেন্দ্ৰীয় কৰ্মচাৰী পৰিষদ, পূৰ্বাঞ্চলীয় ৰেল কৰ্মচাৰী পৰিষদ, জাগ্ৰত মহিলা পৰিষদ প্ৰমুখ্যে কেইবাটাও সংগঠনৰ প্ৰতিনিধি উপস্থিত থাকে। কেউটা সংগঠনৰ প্ৰতিনিধিসকলে সাম্প্ৰতিক সময়ত অসমত উদ্ভৱ হোৱা পৰিস্থিতিত, অসমৰ জনসাধাৰণৰ স্বাৰ্থ সুৰক্ষিত কৰিবলৈ ঐক্যবদ্ধ সংগ্ৰামেহে একমাত্ৰ বিকল্প পথ বুলি স্পষ্ট মতপোষণ কৰে। সভাই চৰকাৰক সকীয়াই দিয়ে যে গৃহযুদ্ধৰ সুচনাৰে ৰাজ্য চৰকাৰে চলোৱা জাতিধ্বংসী কাৰ্যকলাপৰ বিৰুদ্ধে অচিৰেই ব্যাপক সংগ্ৰাম গঢ়ি তোলা হ'ব।

## যুৱ-ছাত্ৰৰ অসম বন্ধ

ৰাজ্যখনত নিৰবচ্ছিন্নভাবে চলি থকা হত্যা- হিংসা আৰু গুপ্তঘাতকৰ দ্বাৰা সংঘটিত হত্যা-হিংসা-সন্ত্ৰাসৰ প্ৰতিবাদত অসম জাতীয়তাবাদী যুৱ ছাত্ৰ পৰিষদে ১৯ নবেম্বৰত অসম বন্ধৰ আহ্বান দিয়ে। এই আহ্বানক 'আছু' আৰু 'মাছে' সম্পূৰ্ণ সমৰ্থন আগবঢ়াই। উক্ত বন্ধৰ আহ্বানে ব্যাপক সঁহাৰি লাভ কৰে।



OKDISCD

# দিল্লীত এছ এফ আইৰ বিক্ষোভ

ভাৰতৰ ছাত্ৰ ফেডাৰেচন (এছ এফ আই)ৰ কেন্দ্ৰীয় কমিটীৰ আহ্বানত উত্তৰ-পূৰ্বাঞ্চলৰ উন্নয়নৰ দাবীত অলপতে দিল্লীত এক ছাত্ৰ বিক্ষোভৰ আয়োজন কৰা হয়। সংগঠনটোৰ সভাপতি কে এন বালাগোপালন আৰু সাধাৰণ সম্পাদক ব্ৰতীন সেনগুপ্তৰ দ্বাৰা প্ৰকাশিত এক প্ৰেছ বিজ্ঞপ্তিত কোৱা হৈছে যে দেশে স্বাধীনতা লাভ কৰাৰ পিচৰে পৰা ছিকিমকে ধৰি উত্তৰ-পূৰ্বাঞ্চলৰ ৰাজ্যকেইখন উন্নয়নৰ দিশত বঞ্চিত হৈ আছে। প্ৰাকৃতিক সম্পদৰ প্ৰাচুৰ্যতাৰ পিচতো উত্তৰ-পূৰ্বাঞ্চলৰ প্ৰতি কেন্দ্ৰৰ মনোযোগ কেতিয়াও আকৰ্ষিত হোৱা নাই। তেওঁলোকৰ মতে অনুন্নত উত্তৰ-পূৰ্বাঞ্চলৰ সমস্যাটো ৰাষ্ট্ৰীয় সমস্যা হিচাপে বিবেচিত হ'ব লাগে। উত্তৰ-পূৰ্বাঞ্চলৰ এই সমস্যাৰাজি সমাধানৰ দাবীত এছ এফ আইৰ কেন্দ্ৰীয় কমিটীৰ আহ্বানত হোৱা বিক্ষোভত অসম, ত্ৰিপুৰা, মনিপুৰ, পশ্চিমবঙ্গ, দিল্লী, মহাৰাষ্ট্ৰ, উৰিষ্যা, ছিকিম, কেৰেলা, ৰাজস্থান, বিহাৰ আদি ৰাজ্যৰ পৰা অহা ছাত্ৰসকলে অংশগ্ৰহণ কৰে।

# জাগীৰোডত জনগোষ্ঠীয় সংগঠনৰ কৰ্মশালা

অসমৰ জনগোষ্ঠীয় যুৱ-ছাত্ৰ সংগঠনৰ উদ্যোগত যোৱা ৯ আৰু ১০ নবেম্বৰত জাগীৰোডত 'অসমৰ বৰ্তমান পৰিস্থিতিত এক উজ্জীৱিত আৰু ঐক্যবদ্ধ যুৱ-ছাত্ৰ আন্দোলনৰ প্ৰয়োজনীয়তা' শীৰ্ষক এখন কৰ্মশালাৰ অনুষ্ঠিত হয়। উক্ত কৰ্মশালাত অসমৰ বৰ্তমান ৰাজনৈতিক পৰিস্থিতি সম্পৰ্কে আলোচনা কৰি নতুন দিক নিৰ্দেশনাৰে অসমত এক উজ্জীৱিত অৰু ঐক্যবদ্ধ যুৱ-ছাত্ৰ আন্দোলন গঢ়ি তোলাৰ পৰিকল্পনা কৰা হয়। কৰ্মশালাই মতপোষণ কৰে যে অসমৰ জনগোষ্ঠীয় সমস্যা অসমৰ অন্যতম জ্বলন্ত সমস্যা এই সমস্যাসমূহক অৱহেলা কৰি অসমৰ জণগন কেতিয়াও ঐক্যবদ্ধ হ'ব নোৱাৰে। সেয়েহে জনগোষ্ঠীয় দাবীসমূহক অসমৰ আন সমুহিক দাবীসমূহৰ লগত যুক্ত কৰিহে ঐক্যবদ্ধ আন্দেলন সূচনা কৰিব পৰা যাব। জনগোষ্ঠীয় আন্দোলন সমূহৰ মাজত থকা সংঘাত আৰু বিবাদসমূহকো আলাপ-আলোচনাৰ জৰিয়তে শান্তিপূৰ্ণভাৱে মীমাংসা কৰাটোও বৰ্তমান সময়ৰ আহ্বান বুলি কৰ্মশালাই আঙুলিয়াই দিয়ে। অসমৰ আটাইবোৰ জনগোষ্ঠীয় সংগঠনক এখন উমৈহতীয়া সংগ্ৰামী মঞ্চত সমাবেত কৰিবৰ বাবে অহা ২২ আৰু ২৩ ডিচেম্বৰত গুৱাহাটীত এখন অভিৱৰ্তন অনুষ্ঠিত কৰিবলৈ কৰ্মশালাত সিদ্ধান্ত লোৱা হয়।

পদাতিক ঃ মুখ্য সম্পাদক ঃ যোগেন তামুলী (অবৈঃ)
সম্পাদক ঃ হেমন্ত কুমাৰ শইকীয়া (অবৈঃ)
পদাতিক - প্ৰকাশনৰ হৈ বিনয় শৰ্ম্মাৰ দ্বাৰা প্ৰকাশিত আৰু নৰ্থ ইষ্ট প্ৰিণ্টাৰ্চ, গুৱাহাটীত মুদ্ৰিত।
যোগাযোগ ঃ মাৰফৎ - নতুন আলোকপাত, ৰাজগড় লিংক ৰোড, চান্দমাৰী, গুৱাহাটী - ৩